সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৬ সংখ্যা, ২৩ মাঘ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 6 * Date Of Publication - 6 February 2022 Rs.10.00/-

## সৰুপথাৰত নতুনকৈ নিৰ্মাণ হব লগা ১০০ খন বিচনাযুক্ত চিকিৎসালয়ৰ আধাৰশিলা স্থাপন



ৰঙিলী বাৰ্ত্তাসেৱা- সৰুপথাৰত নতুনকৈ নিৰ্মাণ হব লগা ১০০ খন বিচনাযুক্ত চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰে স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই। স্বাস্থ্য মন্ত্ৰী গৰাকীক সংগ দিয়ে স্থানীয় বিধায়ক বিশ্বজিৎ ফুকন আৰু জিলা উপায়ুক্তই। আধাৰশিলা স্থাপন কৰি এখন সভাত অংশ গ্ৰহণ কৰে গোলাঘাটৰ অভিভাৱক মন্ত্ৰী গৰাকীয়ে। স্থানীয় বিধায়ক বিশ্বজিৎ

(পাঁচ পৃষ্ঠাত চাওক)


## শ্বেৰমান আলীৰ মন্তব্যই আকৌ জ্বলাইছে ৰাজ্য




ৰঙিলী বাৰ্ত্তাসেৱা- শ্বেৰমান আলীৰ মন্তব্যই আকৌ জ্বলাইছে ৰাজ্য। বাঘবৰৰ বিধায়ক শ্বেৰমান আলীয়ে দীৰ্ঘদিন ধৰি অসমীয়া জাতিৰ বিৰোদ্ধে অৱস্থান গ্ৰহণ কৰি আহিছে। শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰৰ প্ৰসংগত বিতৰ্কিত মন্তব্য কৰাৰ পাছতে তেওঁ ছহিদৰ বিষয়েও অপমানসূচক মন্তব্য কৰিছিল। এইবাৰ সত্ৰৰ বিৰুদ্ধে বিতৰ্কিত মন্তব্য কৰাৰ লগতে প্ৰশাসনে উচ্ছেদৰ বাবে পোতা খুঁটি নিজেই উভালি বিতৰ্কৰ সূচনা কৰিছে বিতৰ্কিত বিধায়ক গৰাকীয়ে। শ্বেৰমান আলী আহমেদৰ প্ৰৰোচিত মন্তব্যৰ লগতে সত্ৰৰ খুঁটি লঠিয়াই উভালি পেলোৱা কাণ্ডত দুখ প্ৰকাশ বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ বশিষ্ঠদেৱ শৰ্মাৰ। শ্বেৰমান আলীৰ বাবেই সত্ৰাধিকাৰ হিচাপে প্ৰথমবাৰলৈ থানালৈ যাব লগা হয় বশিষ্ঠ দেৱশৰ্মা। বৰপেটা থানাত শ্বেৰমানৰ বিৰুদ্ধে গোচৰ তৰি সত্ৰাধিকাৰজনে প্ৰকাশ কৰিলে দুখ। বুঢ়া সত্ৰাধিকাৰ বশিষ্ঠদেৱ শৰ্মাই শ্বেৰমানৰ বক্তব্যক অতি দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰি কয় যে, "শ্বেৰমান আলী আহমেদে সত্ৰৰ খুঁটিত লঠিওৱা নাই, সত্ৰৰ ভকতৰ বুকুত লঠিয়াইছে।"


## সম্পাদকীয়ঃ

### সৰস্বতী পূজা



জ্ঞান আৰু শিক্ষাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী। মাঘ মাহৰ শুক্লা পঞ্চমী তিথিত এই দেৱীক আৰাধনা কৰা হয়। সৰস্বতী পূজাৰ পৰাই বসন্ত ঋতুৰ আগমন ঘটে।সেইবাবে ইয়াক 'বসন্ত পঞ্চমী' বুলিও কয়। প্ৰাচীন কালত মন্দিৰত লেখক, কবি আদিয়ে হালধীয়া বস্ত্ৰ পৰিধান কৰি নিজৰ কাব্য আৰু ৰচনা সমূহৰদ্বাৰা দেৱী সৰস্বতীক উপাসনা কৰিছিল। আকৌ লোকবিশ্বাস সৰস্বতী দেৱীৰ প্ৰিয় ৰং হালধীয়া। সেইবাবে কোনো ঠাইত সৰস্বতী দেৱীক হালধীয়া বস্ত্ৰ পিন্ধোৱা দেখা যায়। এই সৰস্বতী পূজাৰ আনন্দ উল্লাস এইবাৰ যেন অলপ হ'লেও ম্লান পৰিল। এফালে কভিড সৃষ্ট পৰিবেশ আনফালে বৰষুণ। বৰষুণৰ ফলত সমগ্ৰ অসমতে এতিয়া শীতৰ প্ৰকোপ বৃদ্ধি পাইছে। মহানগৰীত পূজা শেষ নহওতে আৰম্ভ হ'ল প্ৰবল শিলাবৃষ্টিৰ। এইবাৰ শীত দেৰিকৈ আহিছে যদিও মাঘমাহৰ পৰাই যেন প্ৰৱল শীতে ৰাজ্যখনক জোকাৰি গৈছে। এইবাৰৰ শীতক জম্মু কাশ্মীৰৰ শীতৰ লগত তুলনা কৰিছে। মনত পৰাৰ পৰা এইবাৰে প্ৰথম এনেকুৱা বতৰ সৰস্বতী পূজাত। আজিৰ কেন্দ্ৰীয় বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা তথ্যৰ ভিত্তিতে ঠায়ে ঠায়ে শিলাবৃষ্টি দেখা গ'ল। এই শীতে আমাৰ বজাৰখনতো প্ৰভাৱ পেলাইছে। শীতৰ পৰা ৰক্ষা পোৱা বস্তুৰ চাহিদা এইকেইদিন বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। আকৌ এচামে পথৰ দাতিঁতে জুই জ্বলাই শীতৰ পৰা হাত সৰাবো চেষ্টা কৰিছে। আন কিছুমানে আকৌ জাৰৰ পৰা ৰক্ষা পাবলৈ এখন কাপোৰৰ আশাত বৈ আছে। এতিয়া সময় বৰুণ দেৱতা আৰু সূৰ্য দেৱতাক সন্তুষ্ট কৰাৰ।

## অনুৰ্ধ-১৯ বিশ্বকাপৰ ফাইনেলত ভাৰতৰ জয়




ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতে ২০২২ চনৰ অনুৰ্ধ-১৯ বিশ্বকাপৰ ফাইনেলত ইংলেণ্ডক চাৰি উইকেটত পৰাস্ত কৰি পঞ্চমবাৰৰ বাবে অনুৰ্ধ-১৯ বিশ্বকাপ জিকিছে। অষ্টম অনুৰ্ধ-১৯ বিশ্বকাপৰ ফাইনেলত অংশগ্ৰহণ কৰি থকা ভাৰতে ৪৪.৫ অভাৰত ইংলেণ্ডক ১৮৯ ৰাণত অলআউট কৰে আৰু ৪৭.৪ অভাৰত লক্ষ্যটো অনুসৰণ কৰে। ভাৰতে ইয়াৰ পূৰ্বে ২০০০, ২০০৮, ২০১২ আৰু ২০১৮ চনত অনুৰ্ধ-১৯ বিশ্বকাপ জিকিছিল।

# ড্ৰাগছৰ বিৰুদ্ধে মৰিগাঁও জিলাৰ বৰছলা আৰক্ষীৰ বৃহৎ অভিযান



ৰঙিলী বাৰ্তাসেৱা- বৰছলা আৰক্ষীয়ে বুজন পৰিমাণৰ ড্ৰাগছ আৰু নগদ ধন সহ তিনিজনক কৰায়ত্ত কৰে। মৰিগাঁও জিলাৰ বৰছলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া মামনি কুমাৰীৰ নেতৃত্বত গৰৈমাৰীৰ পৰা তিনিজন কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী ৰিয়াজ উদ্দিন (২৫)আব্দুল আজিত(৪৮) আৰু ৰাজু আলী(২৬) ক ড্ৰাগছ সৰবৰাহ কৰাৰ সময়ত হাতেলোটে ধৰা পেলাই। এক গোপন সূত্ৰৰ পম খেদি অভিযান চলাই বৰছলা আৰক্ষী আৰু মৰিগাঁও আৰক্ষীৰ যৌথ অভিযানত গৰৈমাৰীত ড্ৰাগছ সৰবৰাহ কৰি থকাৰ সময়ত কৰায়ত্ত কৰে।উক্ত ড্ৰাগছ সৰবৰাহ কাৰী তিনিজনৰ পৰা এটা ড্ৰাগচ ভৰ্তি চাবোনৰ বাকচ এটা ড্ৰাগছ ভৰ্তি কনটেইনাৰ লগতে ৯ টা খালী কন্টেইনাৰ সহ কৰায়ত্ব কৰিবলৈ সক্ষম হয়।লগতে সৰবৰাহকাৰীৰ পৰা চৈধ্য হাজাৰ নগদ ধন আৰু এটা মবাইল ফোন উদ্ধাৰ কৰিবলৈ সক্ষম হয়।ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই জনোৱা মতে সন্ধিয়া ৭ বজাত এক গোপন খবৰৰ ভিত্তিত অভিযান চলাই সৰবৰাহকাৰী তিনিজনক গ্ৰেপ্তাৰ কৰে। আৰু অধিক তথ্যৰ বাবে সৰবৰাহ কাৰীক জেৰা অব্যাহত ৰাখিছে।

# ৰাজ্যিক আঁচনিৰ অধীনত নিযুক্ত ষ্টেট পুল শিক্ষকক নিয়মীয়াকৰণৰ দাবী

ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যিক আঁচনিৰ অধীনত নিযুক্ত ষ্টেট পুল শিক্ষকক নিয়মীয়াকৰণৰ দাবী জনাইছে সদৌ অসম ষ্টেট পুল শিক্ষক সন্থাই। সংগঠনটোৱে দিছপুৰ প্ৰেছ ক্লাবত আয়োজন কৰা সংবাদ মেলত সন্থাৰ সভাপতি উদয় কুমাৰ ৰাভাই কয়-২০১৭ বৰ্ষৰ ৮ ছেপ্টেম্বৰত প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পূৰ্বৰ শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচেষ্টাত অসমৰ প্ৰাথমিক শিক্ষা খন্দত শিক্ষা সবলীকৰণৰ আঁচনিৰ অধীনত ‘ষ্টেট পুল’ বুলি শিক্ষক নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত প্ৰায় ১২০০০ শিক্ষক ফিক্স পেত নিযুক্তি দিয়ে। ২০২০ বৰ্ষৰ ২৬ মে'ত বহা কেবিনেট মিটিং আৰু ৰ জুলাইত PMA ৩৮! ২০২০!২৭ প্ৰকাশিত গেজেট নটিফিকেচনৰ মতে ‘ষ্টেট পুল শিক্ষক’ সকলক ৬০ বছৰলৈ চাকৰিৰ নিৰাপত্তা দি প্ৰায় নিয়মীয়া শিক্ষকৰ আওঁতালৈ আনি ROP মতে নিয়মীয়া শিক্ষকৰ দৰে অন্যান্য সকলো সা-সুবিধা পোৱাৰ নিশ্চয়তা প্ৰদান কৰে। সেই ১২০০০ শিক্ষকৰ পৰা অসম চৰকাৰে সময়ে সময়ে প্ৰাথমিক শিক্ষা বিভাগত নিয়মীয়া শিক্ষক নিযুক্তি দিয়াৰ পাছত বৰ্তমানলৈ প্ৰায় ১০০০০ শিক্ষকে অসমৰ দুৰ্গম পাহাৰ, চৰ-চাপৰিৰ লগতে আন্তঃৰাষ্ট্ৰীয় আৰু আন্তঃৰাজ্যিক সীমামূৰীয়া ২৬ খন জিলাত সুচাৰুৰূপে শিক্ষা কাৰ্যত নিয়োজিত হৈ আছে। ষ্টেট পুল শিক্ষক হিচাপে চাকৰিত নিয়োজিত হোৱা আজি ৪ বছৰ ৫ মাহ সম্পূৰ্ণ হৈ যোৱাৰ পাছতো আজিলৈকে নিয়মীয়াকৰণ নকৰাটো অতি পৰিতাপৰ বিষয়।২০২০ বৰ্ষৰ ৰ জুলাইৰ পৰা পাবলগা ৫ মৰগীয়া বানচ আৰু বকেয়াৰ ধন আৰু ২০২১ বৰ্ষৰ ৰ জুলাইৰ পৰা পাবলগা ১১ আৰু সদ্য ঘোষিত ৩ মৰগীয়া বানচ আৰু বকেয়াৰ ধন সকলো ধন ফেব্ৰুৱাৰী মাহৰ দৰমহাৰ সৈতে মোকলাই দিবলৈ দাবী জনালো।ষ্টেট পুল শিক্ষকক ৰাজ্য চৰকাৰে সম্পূৰ্ণ নিজৰ আঁচনি প্ৰস্তুত কৰি ‘প্ৰাথমিক শিক্ষা সবলীকৰণ আঁচনি’ৰ যোগে নিযুক্তি প্ৰদান কৰা হৈছিল আৰু এই আঁচনিৰ ধন ব্যয় কৰি আহিছে আৰু শিক্ষকসকলক দৰমহা ধন বহন কৰিবলৈ ইতিপূৰ্বে প্ৰাথমিক শিক্ষা বিভাগৰ আৰ্থিক নিৰপেক্ষতাৰ বাবে ৮০০০ পদ সংৰক্ষণ কৰা আছে। গতিকে সকলো ষ্টেট পুল শিক্ষকক ঠিকাভিত্তিক হাইস্কুল শিক্ষকৰ দৰে সেই সংৰক্ষিত পদৰ বিপৰীতে এডজাষ্ট কৰি প্ৰাথমিক শিক্ষা সঞ্চালকৰ অধীনলৈ আনি সকলো ষ্টেট পুল শিক্ষকক কৰ্মৰত বিদ্যালয়তে চাৰ্ভিচ বুক, ৰিটেনশ্বন নম্বৰ, পদ সৃষ্টি কৰি নিয়মীয়াকৰণৰ ব্যৱস্থা কৰিব লাগে। উক্ত শিক্ষকক নিয়মীয়াকৰণত সেৱা বিধি হেঙাৰ হ'ব নোৱাৰে। কাৰণ এই শিক্ষকসকলৰ নিযুক্তি পত্ৰখনত চাকৰিৰ সীমাবদ্ধতা প্ৰসংগ উল্লেখ কৰি ষ্টেট পুল শিক্ষকক চৰকাৰ! সৰ্বশিক্ষাৰ লগত অভিনিৱেশ কৰাৰ স্পষ্ট ইংগিত দিয়া আছে।এইসকল শিক্ষকক এটা নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে সম্পূৰ্ণ পিটিআৰ নীতিৰ আধাৰত খালী পদৰ বিপৰীতে নিযুক্তি প্ৰদান কৰা হৈছিল।গতিকে উক্ত শিক্ষকক নিয়মীয়াকৰণত কোনো কেচৰ ৰায় বাধা হ'ব নোৱাৰে। ষ্টেট পুল শিক্ষকসকল বৰ্তমানৰ এনচিটিইৰ নিয়ম অনুযায়ী প্ৰতিজন শিক্ষকৰ নিয়মীয়া শিক্ষকৰ সমান ডিগ্ৰীধাৰী হোৱাৰ উপৰিও ৪ বছৰ ৪ মাহ অভিজ্ঞতাপুষ্ট। সংবাদ মেলত সন্থাৰ কাৰ্যকৰী সভাপতি মালিৰাম দলে, যুটীয়া সম্পাদক অনিল পাৱে উপস্থিত থাকে।

# ভেৰগাঁও উন্নয়ন খণ্ডটো ঠিকাভিত্তিক কৰ্মচাৰী সন্থাৰ কৰ্মবিৰতি



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যজুৰি ছয় দফীয়া দাবী পূৰণৰ সমৰ্থনত সদৌ অসম পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ঠিকা ভিত্তিক কৰ্মচাৰী পৰিষদৰ আহ্বানত ১ ফেব্ৰুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ কৰ্মবিৰতি আৰু অৱস্থান ধৰ্মঘট কাৰ্যসূচীত ৰাজ্যৰ লগতে ভেৰগাঁৱতো উন্নয়ণৰ কাম স্থবিৰ হৈ পৰিছে । ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমা সদৰ স্থিত ভেৰগাঁও খণ্ড উন্নয়ণ কাৰ্যালয়ৰ চৌহদত উক্ত উন্নয়ণ খণ্ডত কৰ্মৰত এক্ৰিডিয়েটেড ইঞ্জিনিয়াৰ, কম্পিউটাৰ এছিষ্টেণ্ট, জি আৰ এছ আৰু জিপিচিৰ ৬৯ গৰাকী

( তিনিপৃষ্ঠাত চাওক)

# কেন্দ্ৰীয় চৰকাৰে প্ৰতিশ্ৰুতি পালন নকৰাত কৃষক-শ্ৰমিকৰ বিশ্বাসঘাতকতা দিৱস পালন

ৰঙিলী বাৰ্তাসেৱা- এবছৰতকৈয়ো অধিক কাল দিল্লীৰ প্ৰৱেশ পথত আন্দোলন কৰাৰ পাছত কেন্দ্ৰীয় চৰকাৰে কৃষক বিৰোধী কৃষি আইন তিনিখন সংসদত বাতিল কৰিবলৈ বাধ্য হৈছিল।আন্দোলন প্ৰত্যাহাৰৰ স্বৰ্ত হিচাপে থকা আন কেবাটাও কৃষকৰ স্বাৰ্থ জড়িত দাবীও কেন্দ্ৰীয় চৰকাৰে সমাধান কৰিব বুলি লিখিত প্ৰতিশ্ৰুতি দি এতিয়া পিছ হোহোকিছে।স্বামী নাথন আয়োগৰ পৰামৰ্শ চি২ ৫০ সূত্ৰ অনুযায়ী ফচলৰ লাভজনক মূল্যৰ বাবে আইনী নিশ্চয়তা প্ৰদান, বিদ্যুৎ (সংশোধনী) বিধেয়ক প্ৰত্যাহাৰ, কৃষক আন্দোলনৰ ৭১৫ গৰাকী শ্বহীদৰ পৰিয়ালক আৰ্থিক ক্ষতিপূৰণ, দিল্লীৰ সিংঘু সীমান্তত কৃষক শ্বহীদ স্মাৰক নিৰ্মাণৰ বাবে




ভূমি প্ৰদান, উত্তৰ প্ৰদেশৰ লখিমপুৰ খেৰীত কৃষক হত্যাৰ লগত জড়িত কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী অজয় মিশ্ৰ টেনীক মন্ত্ৰীসভাৰ পৰা বৰ্খাস্ত আৰু দোষীক কঠোৰ শাস্তি, কৃষকৰ ওপৰত জাপি দিয়া ভুৱা গোচৰ প্ৰত্যাহাৰ আদি দাবী পূৰণ কৰিব বুলি কেন্দ্ৰীয় চৰকাৰে লিখিত প্ৰতিশ্ৰুতি দিছিল যদিও আন্দোলন স্থগিত ৰখাৰ পাছত এতিয়া কেন্দ্ৰীয় চৰকাৰে মুৰ পোলোকা মাৰিছে । কেন্দ্ৰীয় চৰকাৰৰ এই প্ৰতাৰণাৰ বিৰুদ্ধে সংযুক্ত কিষাণ মৰ্চাই দেশজোৰা ‘বিশ্বাসঘাটকতা দিৱস’ পালনৰ আহবান জনাইছিল । সংযুক্ত কিষাণ মৰ্চা, অসমৰ

( তিনিপৃষ্ঠাত চাওক)

# ৰাষ্ট্ৰীয় পৰ্যায়ত শিৱসাগৰৰ নাম জিলিকালে এগৰাকী ছাত্ৰীয়ে




ৰঙিলী বাৰ্ত্তাসেৱা- বোকাতহে পদুম ফুলে। এই আপ্তবাক্যষাৰীকে পুনৰ এবাৰ প্ৰমাণিত কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত শিৱসাগৰৰ নাম জিলিকালে এগৰাকী ছাত্ৰীয়ে। শিৱসাগৰ জিলাৰ কালুগাঁৱৰ নামতিয়াল গাঁৱৰ জীয়ৰী আকাংক্ষ্যা তামূলীয়ে দিল্লীত অনুষ্ঠিত দেশৰ ৭৩ তম গণৰাজ্য দিৱসত ভাগ লৈ জিলাখনৰ লগতে সমগ্ৰ উত্তৰ-পূবলৈ গৌৰৱ কঢ়িয়াই আনিলে। এন চি চিৰ এন ৪৯ আছাম ন'ভেল ইউনিটৰ হৈ আকাংক্ষ্যাই গণৰাজ্য দিৱসৰ পেৰেডত ভাগ লোৱাৰ লগতে অসমৰ ঐতিহ্য সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰি বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। আকাংক্ষ্যাই উঠি অহা প্ৰজন্মক এন চি চিৰ প্ৰতি গুৰুত্ব দিবলৈ মন্তব্য কৰাৰ লগতে ই অধ্যয়ণত কোনো ধৰণৰ বাধাৰ সৃষ্টি নকৰে বুলি উল্লেখ কৰে। এই সফলতাৰ বাবে শলগুৰি সমবায় সমিতি, শিৱসাগৰ মহকুমা ছাত্ৰ সন্থা, অগপ বৰুৱাপুখুৰী আঞ্চলিককে ধৰি অঞ্চলটোৰ ভালেসংখ্যক অনুষ্ঠান-প্ৰতিষ্ঠানে আকাংক্ষ্যাক উষ্ম অভিনন্দন জনায়।

# ভেৰগাঁৱত ভাৰতীয় উদ্যমিতা সংস্থাৰ এমহীয়া প্ৰশিক্ষণ



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰত চৰকাৰৰ দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ অধীনৰ ভাৰতীয় উদ্যমিতা সংস্থাৰ উদ্যোগত তথা ভেৰগাঁও বন ধন বিকাশ কেন্দ্ৰ ক্লাষ্টাৰ কো-অপাৰেটিভ ছ'চাইটী লিমিটেডৰ সহযোগত আজিৰে পৰা ২ নং টোটোলাপাৰাত খাদ্য প্ৰক্ৰিয়াকৰণৰ (ফুড প্ৰচেচিং)এটা এমহীয়া প্ৰশিক্ষণ আৰম্ভ হয়। অঞ্চলটোৰ কেইবাটাও আত্ম সহায়ক গোটৰ ত্ৰিশৰো অধিক মহিলা সদস্যই অংশগ্ৰহণ কৰা প্ৰধানমন্ত্ৰী বন ধন যোজনাৰ উক্ত প্ৰশিক্ষণ কেন্দ্ৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ভাৰতীয় উদ্যমিতা সংস্থা (আই আই ই)ৰ গুৱাহাটী কাৰ্যালয়ৰ প্ৰকল্প সহযোগী ব্ৰাইডটন দৈমাৰীয়ে। সংস্থাৰ ওদালগুৰি জিলাৰ সমন্বয়ক পবিন্দ্ৰ দৈমাৰী, মুখ্য কাৰ্যবাহী বিষয়া কৰবী বসুমতাৰী, ক্লাষ্টাৰৰ সভাপতি পাহেশ্বৰী ৰাভা আদিৰ উপস্থিতিত কেন্দ্ৰটো উদ্বোধন কৰি প্ৰকল্প সহযোগী দৈমাৰীয়ে কয় যে আম, জাম, কঁঠাল, বগৰী, জলফাই, আমলখি, কৰ্দৈ, ঔ টেঙা আদি থলুৱা ফল- মূলেৰে জাম, জেলী, স্কোকাছ, আচাৰ, পাপৰ, জুইছ(ফলৰ ৰস) আদি সুমিষ্ট, সোৱাদ যুক্ত তথা যুতিলগা খাদ্য সামগ্ৰী ব্যৱসায়িকভাৱে প্ৰস্তুত কৰি মহিলা সকলে উপাৰ্জনৰ পথ উলিয়াই ল'ব পাৰে। ভাৰতীয় উদ্যমিতা সংস্থাই এনেদৰে থলুৱা ফল মূলেৰে বিভিন্ন খাদ্য সামগ্ৰী উৎপাদনৰ উপৰি জৈৱিক সামগ্ৰীৰে মমবাটি নিৰ্মাণ, গহণাকে ধৰি বিভিন্ন বাঁহ শিল্পৰ সা- সামগ্ৰী, হস্ত শিল্প আৰু বয়ন শিল্পজাত সামগ্ৰী উৎপাদন, মৌ পালন, কাঠফুলা, ধূপকাঠি আদি প্ৰস্তুতকৰণৰ বাবে প্ৰশিক্ষণ দিয়াৰ লগতে বিভিন্ন সা- সামগ্ৰী আৰু প্ৰয়োজনীয় যন্ত্ৰপাতিৰ যোগানো ধৰি অহা বুলি তেওঁ উল্লেখ কৰে। আনহাতে জিলা সমন্বয়ক পবিন্দ্ৰ দৈমাৰীয়ে খাদ্য সামগ্ৰী প্ৰস্তুতকৰণৰ সময়ত প্ৰয়োজন হোৱা ৰাসায়নিক দ্ৰব্য প্ৰয়োগৰ সময়ত অতি সচেতন হোৱাৰ লগতে প্ৰশিক্ষাৰ্থী সকলক চাফ চিকুনতাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ পৰামৰ্শ দিয়ে। উল্লেখ্য যে উক্ত প্ৰশিক্ষণৰ কাৰ্যসূচীত তন্ময় হাজৰিকাই মুখ্য সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে।

# গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত Nss ৰ দ্বাৰা বিনামূলীয়া ৰক্তদান শিবিৰ

ৰঙিলী বাৰ্ত্তাসেৱা- যোৱা ৩ ফ্ৰেব্ৰুৱাৰী তাৰিখে গোলাঘাট বাণিজ্য মহাবিদ্যালয় ৰ অন্তৰ্গত nss ৰ দ্বাৰা বিনামূলীয়া ৰক্তদান শিবিৰ স্থাপন কৰা হয় । এই শিবিৰত মহাবিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰী য়ে ৰক্তদান কৰাৰ উপৰিও মহাবিদ্যালয় ৰ ভালে কেইজন অধ্যাপকে ৰক্তদান কৰে । এনেদৰে এক সুন্দৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে মহাবিদ্যালয় ৰ অধ্যক্ষ। মহোদয়ে nss ৰ তত্ত্বাবধায়কক ধন্যবাদ জ্ঞাপন কৰাৰ উপৰিও এনেধৰণৰ কাম সমূহ কৰি যাবলৈ উদগনি যোগায়। এই শিবিৰত Nss ৰ সভাপতি অধ্যাপক বিশ্বজ্যোতি দলে ৰ লগতে মহাবিদ্যালয়ৰ ভালে সংখ্যক প্ৰতিনিধি উপস্থিত থাকে।

# চতুৰ্থ বৰ্গৰ ২১০৭ জন কৰ্মচাৰীক মাৰ্চ মাহৰ ভিতৰত নিযুক্তি দিব- শিক্ষামন্ত্ৰী ডাঃ ৰনোজ পেগু

ৰঙিলী বাৰ্ত্তা সেৱা- সদৌ অসম নতুনকৈ প্ৰাদেশিকৃত মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ যোগ্য চতুৰ্থ বৰ্গৰ ২১০৭ জন কৰ্মচাৰীক আগন্তুক মাৰ্চ মাহৰ ভিতৰত নিযুক্তি দিব বুলি আজি আশ্বাস প্ৰদান কৰে শিক্ষামন্ত্ৰী ডাং ৰনোজ পেগুৱে। জনতা ভৱনত সদৌ অসম নতুনকৈ প্ৰাদেশিকৃত মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ যোগ্য চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সন্থাই শিক্ষামন্ত্ৰী ডাং ৰনোজ পেগুক সাক্ষাৎ কৰি শীঘ্ৰে পদ প্ৰাদেশিকীকৰণৰ ফাইলৰ অনুমোদন দি ৩১ মাৰ্চৰ ভিতৰত নিযুক্তি দিবৰ বাবে আবেদন জনায়। শিক্ষামন্ত্ৰীয়ে সমিতিৰ বিষয়ববীয়া সকলৰ লগত বিষয়টোৰ ওপৰত আলোচনা কৰি আগন্তুক মাৰ্চ মাহৰ ভিতৰত নিযুক্তি দিব বুলি আশ্বাস প্ৰদান কৰে বুলি সদৌ অসম নতুনকৈ প্ৰাদেশিকৃত মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ যোগ্য চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সন্থাৰ হৈ সাধাৰণ সম্পাদক মহিদুল কবিৰে সাংবাদিকক জানিবলৈ দিয়ে। জনতা ভৱনৰ শিক্ষামন্ত্ৰীৰ সাক্ষাৎ কাৰ্যসূচীত সদৌ অসম নতুনকৈ প্ৰাদেশিকৃত মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ যোগ্য চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সন্থাৰ হৈ সাধাৰণ সম্পাদক মহিদুল কবিৰ, সদস্য ক্ৰমে খাজা মাইনউদ্দিন, মাইনুল হক, শুকুৰ আলী, আব্দুল কৰিম, হজৰত আলী, শ্বহৰ আলী, বাদশ্বাহ আলী, বহুল উদ্দিন, আব্দুল ৰশ্বিদ, আব্দুল মতিন, প্ৰবীন ৰাজবংশী, জ্যোতিষ ৰায়, ইব্ৰাহিম খলিল, আব্দুল হামিদে শিক্ষামন্ত্ৰীৰ হাতত আবেদন দাখিল কৰে।

# কেন্দ্ৰীয় চৰকাৰে

আহবানত আজি সমগ্ৰ অসমতে প্ৰায় সকলো জিলাতে বিশ্বাসঘাতকতা দিৱস বিক্ষোভ, সমাৱেশ, ধৰ্ণা, শোভাযাত্ৰা আদিৰ মাজেৰে পালন কৰা হয়। গুৱাহাটীতো গুৱাহাটী ক্লাব ৰটাৰীৰ কাষত সংযুক্ত কিষাণ মৰ্চা-অসম, ট্ৰেড ইউনিয়ন আৰু কৰ্মচাৰী ফেডাৰেছন সমূহৰ যৌথ মঞ্চৰ যৌথ আহবানত বিশ্বাসঘাতকতা দিৱস বিক্ষোভ প্ৰদৰ্শনৰ জৰিয়তে পালন কৰা হয় ।সংযুক্ত কিষাণ মৰ্চাৰ মুখ্য আহবায়ক টিকেন দাস, আহবায়ক জয়ন্ত গগৈ, শ্ৰমিক নেতা ৰমেন দাস আৰু বীৰেণ শৰ্মাই বিক্ষোভস্থলীত আয়োজিত চমু সভাত কৃষকৰ লগত কৰা বিশ্বাসঘাতকতাক গৰিহণা দিয়ে আৰু প্ৰতিশ্ৰুতি পালন কৰি কৃষক আন্দোলনৰ দাবীসমূহ মানি লবলৈ দাবী জনায়, অন্যাথা তীব্ৰতৰ আন্দোলনৰ সন্মুখীন হ'ব লাগিব বুলি সকীয়াই দিয়ে । বিক্ষোভত গণতান্ত্ৰিক আন্দোলনৰ নেতা সুপ্ৰকাশ আতলুকদাৰ, নাগৰিক অধিকাৰ মঞ্চৰ আহবায়ক শংকৰ শইকীয়া, বিশিষ্ট শ্ৰমিক নেতা শতঞ্জীৱ দাস, বীৰেণ কলিতা, কৃষক নেতা গজেন বৰ্মন, ছাত্ৰ ফেডাৰেছনৰ নেতা নিৰংকুশ নাথ, সংগীতা দাস, প্ৰতুল বৰ্মন, যুৱ ফেডাৰেছনৰ নেতা নয়ন ভুএগ্রা, ৰিতুৰঞ্জন দাস, গণতান্ত্ৰিক মহিলা সমিতিৰ সীমা বিশ্বাসকে ধৰি শতাধিক কৃষক, শ্ৰমিক, মহিলা, যুৱ, ছাত্ৰই অংশগ্ৰহণ কৰে ।

# ভেৰগাঁও উন্নয়ন

কৰ্মচাৰীয়ে কৰ্মবিৰতি কৰাত অঞ্চলটোত ৰূপায়ণ হৈ থকা এমজিএনৰেগা, বিধায়ক উন্নয়ণ পুঁজিৰ লগতে জনসাধাৰণৰ বিধৱা পেঞ্চন, প্ৰাপ্ত বয়স্কৰ পেঞ্চনৰ লগতে অন্যান্য উন্নয়ণৰ কাম কৰাত বাধাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে । উক্ত কাৰ্যসূচীত কৰ্মৰত কৰ্মচাৰী সকলে পুৱা দহ বজাৰ পৰা কাৰ্যালয় চলি থকা অন্ত সময়লৈ ৰূপায়ণ কৰিছে । তেওঁলোকৰ ছয় দফীয়া দাবী সমূহ হৈছে-কৰ্মচাৰী সকলক ৬০ বছৰলৈ চাকৰি সুনিশ্চিত কৰা, সকলো কৰ্মচাৰীৰ আৰ অ পিৰ ব্যৱস্থা কৰা, সকলো কৰ্মচাৰীৰ সম কামৰ সম বেতন নীতি প্ৰযোজ্য কৰা, চৰকাৰী কৰ্মচাৰীয়ে লাভ কৰা সকলো সুবিধা প্ৰদান কৰা, বিভাগত খালী হোৱা প্ৰতিটো পদৰ বিপৰীতে অভিজ্ঞতা তথা যোগ্যতা সম্পন্ন ঠিকাভিত্তিক কৰ্মচাৰীক বিভাগীয়ভাৱে পৰীক্ষা অনুষ্ঠিত কৰি নিযুক্তি প্ৰদান কৰা আৰু অমৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপৰ দাবী আদি।

# “সৰস্বতী পূজা”

হিমাদ্ৰী বৰকটকী
নগাঁও



“ সৰস্বতী সৰস্বতী
আমি বোলো সৰস্বতী
লোকে বোলে আই
যি খিনি পাহৰোঁ
দিবা সোঁৱৰাই ”

সৰস্বতী দেৱী হ'ল বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী। সৰস্বতীক শ্বেতপদ্মা, বাগদেৱী, বীণাপাণি আদি নামেৰে জনা যায়। সৰস্বতীৰ বাহন হ'ল বগা ৰাজহাঁহ। মাঘ মাহৰ শুক্লা পঞ্চমী তিথিত সৰস্বতী পূজা পতা হয় ।এই তিথিক পঞ্চমী পূজা বুলিও কোৱা হয়। সৰস্বতী পূজা সাধাৰণতে বিদ্যালয়, মহাবিদ্যালয়ত পতা হয়। নিৰ্দিষ্ট বিধি - বিধান মতে পূজাৰীয়ে সৰস্বতী পূজা কৰে আৰু লগতে হোমাগ্নি (হোম) দিয়া হয় ।

সৰস্বতী দেৱীৰ ওচৰত প্ৰসাদ হিচাবে ফলমূল, মাহপ্ৰসাদ, পায়স আদি প্ৰদান কৰা হয় ।সকলো ছাত্ৰ - ছাত্ৰীয়ে মিলি ভক্তি ভাৱে পূজা অৰ্চনা কৰে আৰু সৰস্বতী বন্দনা, শ্লোক আদি পাঠ কৰে ।লগতে দেৱীক পুষ্পঞ্জলি প্ৰদান কৰা হয় ।ছাত্ৰ - ছাত্ৰীসকলে বাগদেৱীৰ ওচৰলৈ মহা আনন্দৰে দেৱীৰ আশীষ বিচাৰি আহে ।পূজাৰ অন্তত নিৰ্মালি, ফোঁট, পদজল আদি প্ৰদান কৰা হয় ।

সৰস্বতী পূজাত পূজাৰ প্ৰসাদৰ উপৰিও বিশেষ আহাৰ যেনে...খিচিৰি, পায়স, মিঠাই আদিৰ ব্যৱস্থা কৰা হয়। ছাত্ৰ - ছাত্ৰী, শিক্ষক - শিক্ষয়িত্ৰী, অভিভাৱক সকলোৱে মিলি সামূহিক ভাৱে আহাৰ গ্ৰহণ কৰে। সৰস্বতী পূজা সাধাৰণতে হিন্দু ধৰ্মাৱলম্বী লোক সকলৰ হ'লেও ইয়াত সকলো ধৰ্মাৱলম্বীৰ ছাত্ৰ - ছাত্ৰী য়ে অংশ গ্ৰহণ কৰি মিলা - প্ৰীতি আৰু ভ্ৰাতৃত্ববোধৰ এক নতুন আদৰ্শ প্ৰতিষ্ঠা কৰে। তদুপৰি ছাত্ৰ - ছাত্ৰী সকলৰ মাজত ই আনন্দ প্ৰদান কৰে আৰু তেওঁলোকৰ মাজত নেতৃত্বৰ চেতনাই গঢ় লৈ উঠে। গতিকে সৰস্বতী পূজা ছাত্ৰ - ছাত্ৰী সকলৰ এক আনন্দৰ উৎসৱ ।

# মুক্ত পথৰ গীত

প্ৰণিতা বৰঠাকুৰ
বঙ্গালগাঁও



তোমাৰ সন্মুখত পৰি আছে
জাতিষ্কাৰ, মুকলি এখন ধুনীয়া ধৰণী
আহাচোন সখী,
মুগা বৰণীয়া দিকচৌ বাটেৰে, এটা মুক্ত মনেৰে
একেলগে বাট লওঁ
য'লৈ যাবলৈ তোমাৰ মন
য'লৈ যাবলৈ ব্যাকুল তোমাৰ প্ৰাণ
লৈ যাম তোমাক সখী, তুমি মাথোঁ কোৱা,
“হৃদয়ৰ সমস্ত ভালপোৱা
তোমাতে উজাৰি দিলোঁ
জীৱনৰ বাট বুলিবলৈ
হাততে হাত থ'লোঁ”
মই দিছোঁ নিজকে উজৰাই
তুমি বাৰু দিবানে
নিজলৈ একোকে নাৰাখি
জীৱন পথত প্ৰেমৰ ফুল চটিয়াই,
আহিবানে সখী
হাতত হাত ধৰি
আজীৱন খামুচি ধৰি
আগবাঢ়ি যাওঁ জীৱনৰ অচিনাকি বাটটি।

**অনুবাদ কবিতা**

**মূল : Song of the Open Road**

**ভাবানুবাদ: প্ৰণিতা বৰঠাকুৰ**

# সৰস্বতী পূজা

মঞ্জুষা শৰ্মা

নমো নমো বাগদেৱী নমস্তে
তাৰিণী।
তুষ্ট হোৱা জগতমাতা দাসীৰে
সমন্ধী।।
বিদ্যাৰূপে শব্দৰূপে আছা
জগততে।
বাক্যৰূপে তুমি দেৱী ব্ৰহ্মাণ্ড
ভিতৰে।।
বাগদেৱী বীণাপাণি তুমি
নাৰায়ণী।
ত্ৰিজগতক ৰাখি আছা তুমি
সৰস্বতী।।



আজি মাঘ মাহৰ শুক্লা পঞ্চমী তিথি। এই দিনটোতে অতীজৰে পৰাজ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী আইক জ্ঞানৰ পোহৰে জগত উজ্ব লাই তোলাৰ অৰ্থে নৰগণে ধূপ - ধূনা -নৈবেদ্যৰে পূজা পাঠ কৰি আহিছে। আজি এই পূজা খুব ধুম ধামেৰে উদযাপন কৰা দেখিবলৈ পোৱা যায়।

সৰস্বতী পূজা বুলিলে সকলোৰে মন আনন্দিত হৈ উঠে। কাৰণ কেৱল এই পূজাতেই সৰু-ডাঙৰ সকলোৱে ছোৱালীয়েই মেখেলা - চাদৰ পিন্ধি খুব ভাব - ভক্তিৰে জ্ঞান লাভৰ অৰ্থে পুৱাৰ পৰাই ব্যস্ত হৈ পৰে। আমিও সৰুতে খুব সোনকালে উঠি ঘৰ পৰিষ্কাৰ কৰি ফুল আৰু বগৰী সংগ্ৰহ কৰি লওঁ। এই পূজাত কেৱল বগা বস্তুহে দিয়া হয়। সেয়ে আমি বন্তি - ধূপ -ধূনা বগা ফুল লৈ পুষ্পাঞ্জলী দি প্ৰাৰ্থনা কৰো। তেতিয়া আমি কোনো জাকজমক কাপোৰ নিপিন্ধিছিলো। সৰস্বতী দেৱী অসন্তুষ্ট হ'লে যে পঢ়িব নোৱাৰিম বুলি ভাবি। সেয়ে পূজা আছিল অনাম্বৰপূৰ্ণ আৰু ধৰ্মীয় নীতি সন্মত।

কিন্তু এতিয়া সৰস্বতী পূজা বুলি ক'লে আগৰ সেই ভাৱ - ভক্তিৰ ঠাইত সাজ পোচাকেৰে সজ্জিত হৈ সৌন্দৰ্য প্ৰতিযোগিতালৈ হে সলনি হৈ পৰিল। আমি জানো যে প্ৰথম অৱস্থাত কালিদাস এজন মহা মূৰ্খ ব্যক্তি আছিল। এই সুযোগতে কেইজন মানজ্ঞানী লোকে নিজ স্বাৰ্থ পূৰণৰ অৰ্থে কালিদাসক নি এগৰাকী বিজ্ঞ ৰাজকুমাৰীৰ লগত বিবাহ সম্পন্ন কৰি দিছিল। বিয়াৰ পিছত যেতিয়া ৰাজকুমাৰীয়ে কালিদাসৰ প্ৰকৃত পৰিচয় জানিব পাৰিলে তেতিয়া ৰাজকুমাৰীৰ খুব দুখ লাগিল আৰু কালিদাসক বহুতো তিৰষ্কাৰ কৰি জ্ঞান লাভ নকৰালৈকে ৰাজকুমাৰীৰ আগত দেখা দিবলৈ মানা কৰি ঘৰৰ পৰা উলিয়াই দিলে। মনৰ দুখত কালিদাসে জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱীক একান্ত মনেৰে আৰাধনা কৰিবলৈ ধৰিলে। এদিন দেৱী সন্তুষ্ট হৈ বৰ দি ক'লে যে ‘আজিৰ পৰা তুমি মোৰ বৰপুত্ৰ আৰু এজন বিদগ্ধ পণ্ডিত ৰূপে জগতত চিৰপৰিচিত হ'বা। তেতিয়াৰে পৰা কালিদাস এজন বিদগ্ধ পণ্ডিত ৰূপে জনাজাত হৈ পৰিল। সেয়েহে আহক আজি আমি সকলোৱে মিলি পুনৰ এবাৰ আই সৰস্বতী দেৱীক আৰাধনা কৰো যাতে দেৱী শক্তিয়ে আমাক সুবুদ্ধি আৰু সুজ্ঞানেৰে এখন সুষ্ঠ সমাজ গঢ়িব প্যাৰো।

# আমি সদায় ভাল লগা কাম এটাকৈ হ'লেও প্ৰতিদিনে কৰিব লাগে

সংযুক্তা দত্ত



যান্ত্ৰিকতাৰ এই যুগত আমি আমাৰ ভাল লগা কিছুমান কাম কৰিবলৈ পাহৰি যাওঁ ।আমি আজিকালি প্ৰায় শুনিবলৈ পাওঁ যে এই ব্যস্ততাৰ মাজত আমাৰ ক'ত ভাল লগা কাম কৰিবলৈ সময় হয়। আমি ব্যস্ততাৰ মাজতেই অলপ মান নিজৰ বাবে সময় উলিয়াই আমি আমাৰ মন পছন্দৰ যিকোনো কাম কৰিবলৈ যত্ন কৰিব লাগে। সেইয়া, এখন ভাল কিতাপ পঢ়াই হওঁক বা, ৰন্ধা-বঢ়া কৰাই হওঁক, ছবি অঁকাই হওঁক, লেখা- মেলা কৰাই হওঁক, বা মা-দেউতাক ঘৰৰ কিছুমান কামত

*(আঠপৃষ্ঠাত চাওক)*

# সৰুপথাৰত নতুনকৈ

ফুকনৰ তৎপৰতা আৰু চৰকাৰৰ সদিচ্ছাৰ বাবেই সৰুপথাৰত ১০০ খন বিচনাযুক্ত চিকিৎসালয়ৰ আধাৰশিলা সম্ভৱ হৈছে বুলি সভাত মন্তব্য কৰে মন্ত্ৰী কেশৱ মহন্তই। সীমামূৰীয়া মহকুমাটোৰ সৰুপথাৰত নিৰ্মাণ হব লগা চিকিৎসালয় খনে দীৰ্ঘদিনে মহকুমাবাসীয়ে ভুগি অহা চিকিৎসাৰ অভাৱ দূৰ কৰিব বুলিও কয় মন্ত্ৰী গৰাকীয়ে। পৰৱৰ্তী সময়ত টেঙানীটো এখন মিনি হস্পিতাল নিৰ্মাণৰ কথা ঘোষণা কৰে স্বাস্থ্য মন্ত্ৰী গৰাকীয়ে। ১২ কোটি ২৮ লাখ ৫২ হাজাৰ ৪৮৭ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলৈ লোৱা মহকুমা চিকিৎসালয় খনৰ নিৰ্মাণ কাৰ্য ডেৰবছৰত সম্পূৰ্ণ হ'ব। নিৰ্মাণ সম্পূৰ্ণ হলে সকলো বিশেষজ্ঞ চিকিৎসকৰ চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হব ৰোগীসকলে। আনহাতে বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলিৰ বিৰ্তকিত মন্তব্যক ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত আখ্যা দিয়ে মন্ত্ৰী গৰাকীয়ে। নিজৰ ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবেই শ্বেৰমান আলিয়ে এনে বিৰ্তকিত মন্তব্য কৰিছে। এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি কয় মন্ত্ৰী কেশৱ মহন্তই ।

# প্ৰবীণ গায়িকা লতা মংগেশকাৰৰ ৯২ বছৰ বয়সত মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- মুম্বাইৰ ব্ৰিচ কেণ্ডি চিকিৎসালয়ত ভৰ্তি হোৱা প্ৰবীণ গায়িকা লতা মংগেশকাৰৰ ৯২ বছৰ বয়সত ৰাতিপুৱা ৮.১২ বজাত মৃত্যু হয়। যোৱা মাহৰ পৰা চিকিৎসালয়ত ভৰ্তি হৈ থকা গায়িকাগৰাকীৰ ফেব্ৰুৱাৰী ৫ তাৰিখে অৱস্থাৰ অৱনতি ঘটিছিল আৰু তেওঁ আইচিইউত ভেণ্টিলেটৰত আছিল বুলি তেওঁৰ চিকিৎসকে কৈছিল। তেওঁ কোভিড-১৯ ত আক্ৰান্ত হোৱাৰ পিছত তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল।



২৩ মাঘ, ১৪২৭ চন Rongili Barta, Date of Publication-- 6 February, 2022-

# থার্টি-চেভেন........ডিফেণ্ডেড

দিগন্ত তালুকদাৰ

বছৰেকীয়া পৰীক্ষা শেষ হোৱাৰ পিছত প্ৰতি বছৰেই আমাৰ প্ৰধান দুটা কাম থাকে। দিনে-ৰাতি ক্ৰিকেট খেলা আৰু মাৰ্বল খেলা। তাৰ মাজতে বেলেগৰ বাৰীৰ পৰা চুৰ কৰি বগৰী, জলফাই আদি খোৱা আৰু ৰাতিহ'লে কাৰোবাৰ আলুৰ খেতিৰ পৰা আলু চুৰ কৰি মনে মনে ভাজি খোৱা পৰ্ব আদিও নচলা নহয়। কিন্তু এক নম্বৰ স্থান পোৱা মূখ্য বিষয়টো হ'ল ক্ৰিকেট। ধান দাই নিয়াৰ পিছত পথাৰখনৰ পৰা নৰাবোৰ যিমান পাৰি উভালি পেলোৱা হয়। হালবাই ওখোৰা-মোখোৰা কৰি থৈ যোৱা পথাৰখন পাৰ্যমানে কোৰেৰে সমান কৰি মাজভাগত পিটচ্ এখন ৰেডী কৰা হয় প্ৰতি বছৰেই পৰীক্ষা শেষ হোৱাৰ ঠিক পিছদিনাই। আমাৰ গাত তৰণি নাথাকে। শচীন, দ্ৰাবিড়, গাংগুলী, শ্ৰীনাথ, প্ৰভাকৰ, প্ৰসাদ আদিৰ নিচিনা হোৱাৰ বাসনাই উদ্বাউল কৰি ৰাখে। ভাত-পানী, ভোক-পিয়াহ উৰি যায় অচিন দেশলৈ। আমাৰ চিনিয়ৰ ডিউচ বলৰ পাকৈত খেলুৱৈ মাণিক, ৰূপম, টুটু, দেবুহঁতে আমাক টীপছ্ দিয়ে। কেতিয়াবা ডা: নিখিল শৰ্মাদা আহে গুৱাহাটীৰ পৰা বিভিন্ন নতুন টেকনিক আৰু টীপছ্ লৈ। আউট ছুইং-ইন ছুইং আদিৰ লগতে, ফ্ৰন্ট ফুট্, ব্যাক ফুট্, স্কোৱেৰ কাট, ফ্লিক, গ্লান্স আদিৰো শিক্ষা দিয়ে। আমি আপ্লুত হও। ইণ্ডিয়ান ক্ৰিকেট টীমে হাতবাউলি মাতি থকা যেন অনুভৱ হয়। মন চঞ্চল হয়। উৰি ফুৰে নাচনী পখিলাৰ দৰে।

দুদিনমান যোৱাৰ পিছত আমি পিটচ্ ইন্সপেকছন কৰো। ওখোৰা মোখোৰাবোৰ থাকি যোৱাত ইন ছুইং, আউট ছুইংবোৰ জধে-মধে হয়। দুই এজনৰ নাকৰ বাউণ্ডেৰী খহে। উপায়ন্তৰ হৈ ওচৰতে থকা টংকেহঁতৰ ঘৰৰ পৰা গিৰমিছ্ লৈ আহোঁ। কেতিয়াবা আকৌ জিতুহঁতৰ ঘৰৰ পৰা গৰুক পানী খুৱাবলৈ চিমেন্টেৰে বনোৱা ৰিংটো লৈ আহোঁ। 'টীম ইণ্ডিয়া'ৰ পিটচ্ নিমজ কৰিবলৈ ৰোলাৰ থাকে। 'টীম পশ্চিমহাটী'ৰ পিটচ্ নিমজ কৰিবলৈ অনুৰূপ ধৰনে গিৰমিছ্ আৰু গৰুক পানী খুউৱা ৰিং ৰোলাৰ হিচাপে ব্যৱহাৰ হয়। এইবাৰ আমাৰ পিটচ্ মোটামুটি মসৃণ হয়। খেল চলে পূৰ্ণগতিত। ধূলি লাগি, নৰাই কাটি হাত ভৰি ছিৰাল ফাট দিয়ে। মা-দেউতাহঁতে ঘৰত যে কিমান ডবা কোবায়! পিছে কাৰো এইবোৰ তুচ্ছ কথালৈ কেৰেপ-ভ্ৰুক্ষেপ কৰি থাকিবৰ আহৰি নাথাকে? মাক-দেউতাকবোৰ পৃথিবীলৈ আহেই কেৱল বাচ্ছাক পিটন দিবৰ বাবে; আমি মানি লও এই চিৰন্তন সত্য। গতিকে এইবোৰ সাধাৰণ প্ৰাকৃতিক দুৰ্যোগ আমাৰ অন্তৰায় নহয়। গাংগুলীৰ দৰে অসাসাধাৰণ কেপ্তেইন, শচীনৰ দৰে বিশ্ববিশ্ৰুত বেটছমেন আৰু দ্ৰাবিড়ৰ লেখীয়া ধৈৰ্য্যৰে বেটিং ক্ৰীজত ঠিয় দি থকা বাসনাই গ্ৰাস কৰি থাকে আমাৰ মন-প্ৰাণ। শ্ৰীনাথ, প্ৰভাকৰ, প্ৰসাদৰ দৰে বল দলিওৱাৰ হেপাঁহও হয় দুৰ্বাৰ। খেলৰ প্ৰেকটিচ্ চলি থাকোঁতে কেতিয়াবা বতাহী ছোৱালীজাক পাৰ হৈ যায় খিলখিলাই। বিভিন্ন ৰঙৰ লেডীবাৰ্ড চাইকেল চলাই যেতিয়া কাষৰ ৰাস্তাটোৰে পাৰ হৈ যায় আমাৰ মনবোৰত সাতোৰঙী সপোনে ৰামধেনু আঁকে। এনে লাগে যেন ঠিক সেই সময়তে বলটো চিক্সাৰ মাৰি পঠাই চাইকেলৰ ওচৰত পেলাই দিম। সিহঁত ৰখিব, বলটো কুন্দত কটা লাহী আঙুলি কেইটাৰে চুব আৰু চুমা এটি আকি ওভতাই দিব। ফূৰ্তিত আমি কিৰিলি পাৰিম। পিছে ছোৱালীৰ জাকটো কেতিয়াও নৰয়, উৰনীয়া মৌৰ নিচিনা চো-চোৱাই অন্তৰ্ধান হয় নিমিষতে। ৰঙা, নীলা, বেঙুনীয়া ৰবৰেৰে চুলিকোচা গাঠি মসৃণ গতিত সমদল কৰি আমাৰ বুকুত তানপূৰাৰ সুৰ তুলি গুছি যায়। ফুলৰ অমৃতসম মৌ চুপিবৰ বাবে উৰি ফুৰা মৌপিয়াৰ লেখীয়া হৃদয়ত প্ৰেমৰ দুৰ্বাৰ বাসনা লৈ আমি তধা লাগি চাই ৰও।

দহদিনমান প্ৰেকটিচ কৰাৰ পিছত আমাৰ নেজত জুই লাগে। নতুন গলিয়া, পুৰণ গলিয়া, দক্ষিণ হাটী, মাহতলী আদি ওচৰ চুবুৰীয়া গাওঁবোৰৰ লগত আমাৰ ক্ৰিকেট মেচৰ বাজী আৰম্ভ হয়। কেতিয়াবা সিহঁতে আমাক নিমন্ত্ৰণ দিয়ে আৰু কেতিয়াবা আমি সিহঁতক নিমন্ত্ৰণ দিওঁ। বাজী সাধাৰণতে টকা-পইচাৰ হয়। প্ৰত্যেকে যদি আঠঅনাকৈ দিব পাৰোঁ তেন্তে চাৰে-পাঁচ টকীয়া বাজী নাইবা দিনকাল ভাল থাকিলে প্ৰত্যেকে এক টকাকৈ দি এঘাৰ টকীয়া বাজী। আম্পায়াৰৰ হাতত দুই দলে পইচাখিনি জমা দিয়ে আৰু জিকা পাৰ্টিটোৱে খেল সামৰাৰ পিছত লৈ যায়। এনেকুৱা খেলবোৰত আকৌ আম্পায়াৰ চাহাব অবৈতনিক হিচাপে আহে। ৰাউণ্ড ব'গা ৰঙৰ হেট পিন্ধি ধূলিৰ লগতে দুই দলৰ খেলুৱৈৰ গালি খাই দুই-তিনি ঘন্টা ৰ'দত বিনা পইচাই ঠিয় দি এই ধৰনৰ আম্পায়াৰ বিলাকে কি যে শান্তি পাইছিল মোৰ হ'লে এতিয়াও বোধগম্য নহ'ল। মুঠতে এনে খেলবোৰত প্ৰায়েই অৰ্থৰ অভাৱ হ'লেও ফ্ৰী আম্পায়াৰৰ অভাৱ কোনো কালেই কোনো গাওঁতেই হোৱা নাছিল। খেল থকা বুলি শুনিলেই আম্পায়াৰ নামৰ প্ৰাণীবিধ নিজে নিজেই গজালি ওলোৱা বুটমাহৰ নিচিনা প্ৰকট হৈ যায় ক'ৰবাৰ পৰা।

ক্লাছ ছেভেন নে এইটত থাকোঁতেই কোনে কি ভাবি জানো গাওঁৰ জুনিয়ৰ ক্ৰীকেট টীমৰ কেপ্তেইন মোকেই পাতি দিলে। বানপানীত উটি অস্থি-চৰ্মসাৰ



দেহাটোৰে কিবাকৈ বাচি উশাহ লৈ থকা নেউলটোৰ নিচিনা আছিলোঁ যদিও মূৰত ঘি অকন বেছি আছিল বুলি ভাবিয়েই চাগৈ মোক কেপ্তেইন পাতি দিছিল। অবশ্যে এনেকুৱা জুনিয়ৰ টীমৰ ক্ৰিকেট কেপ্তেইনৰ খেলৰ আগত টচ্ কৰা বাদ দি আন কোনো কাম নাই। কেপ্তেইনৰ কথা কোনেও নুশুনে। বেটখন যাৰ সি পাৰিলেও বা নোৱাৰিলেও প্ৰথম বেট ধৰিবই আৰু যাৰ বল সি প্ৰথমে বল দিবই। এনেকুৱা টীমত টীম মিটিং, স্ট্ৰেটেজী মেকিং আদি শব্দ নাথাকে। থাকে মাথোন দুৰ্বাদল কাজিয়া আৰু মেচ হাৰাৰ পিছত ইটোৱে সিটোক কৰা অপমান। টীমৰ ভাইচ্ কেপ্তেইন আছিল মোৰ আটাইতকৈ বিশ্বাসী বন্ধু ধনজিত। বুদ্ধিত বৃহস্পতি আৰু টীমৰ একমাত্ৰ বাওঁহতীয়া বেটছমেন। লগতে উইকেট কীপিঙৰ দ্বায়িত্বও আছিল তাৰেই। দিগেশ, চুনু আৰু নিখিল আছিল মিডল অৰ্ডাৰ শুৱনি কৰা কিছু নিৰ্ভৰযোগ্য সদস্য। টীমৰ একমাত্ৰ ব্লাইণ্ডাৰ আছিল নিহাৰ। ভাওনাত গদা ঘূৰোৱা দি বেট ঘূৰাই দিয়ে। নিহাৰে জীৱনৰ কোনো এখন খেলতেই চাগৈ চাৰি-পাঁচটাতকৈ বেছি বল খেলা নাই। সাধাৰণতে সি দহ-বাৰ ৰান প্ৰায় সদায়েই কৰে। আমাৰ বলিং বিভাগৰ মূল সদস্য আছিল জিতু। গাৰ জোৰত বল দলিয়াব পাৰে। কিন্তু কেতিয়াবা উত্তেজনা বাঢ়িলে তাৰ মুখেৰে 'হু...উ'....বুলি অদ্ভুত শব্দ এটা ওলায়। এই 'হু...উ'....ওলালেই সব গণ্ডগোল। তাৰ আৰু ওভাৰ শেষ নহয়। 'হু....উ'...মানে ৱাইড বলৰ বৰষুণ; একোটা ওভাৰ হয়গৈ বাইশ-তেইশ বলৰ। আমাৰ বলিং ডিপাৰ্টমেন্টৰ আন এক উল্লেখযোগ্য সদস্য হ'ল নগেশ। নগেশৰ ক্ৰিকেটৰ অবচেছন অলপ বেলেগ। প্ৰত্যেকটো বলতেই নগেশক একোটা উইকেট লাগে। হাত ঘূৰাই বল ডেলিভাৰী নৌহৌতেই আম্পায়াৰ মহোদয়ক আপীল- হাউচ্! বাকী বৈ যোৱা 'ডেট ছাৰ' অংশটো ক'ব নাপায়, বল বাউণ্ডেৰী পাৰ হয় ইতিমধ্যে। আন দুজন সদস্য আছিল গৌতম সিঙ আৰু মনজিত বিহাৰী। গৌতমৰ আকৌ খঙটো চুলিৰ আগত কণা-বাদুলিৰ নিচিনা ওলমি থাকে। ফিল্ডৰ শেষৰ পৰা 'হিলি-দুলি' লাৱনী বিহুৱতীৰ নিচিনা বুকু কপাই দৌৰি আহে। প্ৰতিপক্ষৰ বেটছমেনে চিক্স-ফ'ৰ যদি কিবা কোবালে হ'ল আৰু। খঙৰ ভমকত পৰৱৰ্তী ক'ত বল পৰে ঠিক নাই। একো ক'ব বা বুজাবও নোৱাৰি। কেপ্তেইন, ভাইচ্ কেপ্তেইন কাৰো কথা নুশুনে। মনজিত বিহাৰী আকৌ 'কূল এজ এ কুকুম্বাৰ'। নিৰ্দিষ্ট গতিত নিজৰ ওভাৰটো শেষ কৰিব লাগে। চিক্স, ফ'ৰ, ৱিকেট এইবোৰ মতলব নাই। টীম হৰা-জিকাও মতলব নাই। চিৰদিন উদাসীন! আমাৰ টীমৰ শেষৰজন হ'ল ৰিংকু ওৰফে এল বালা। মূখমণ্ডলৰ গঢ়ৰ লগতে দেখাত এল বালাজীৰ নিচিনা ওখ আৰু সমানেই ক'লা বাবে কোনোবাই নামাকৰন কৰিলে এল বালা। বেঞ্চ স্ট্ৰেনংথ ও আমাৰ কম নাছিল। চন্দন ওৰফে ধনো, মনোজ, ৰিকি ওৰফে পন্টিং, বিকাশ, পোনা ওৰফে ভোলা আদিবোৰ আছিল আমাৰ টীমৰ এঘাৰৰ পিছৰ বাকীবোৰ নম্বৰৰ খেলুৱৈ।

সেইদিনা ৰবিবাৰ আছিল। ৰাতিপুৱাই আমি পুৰণ গলিয়া ফীল্ডত হাজিৰ। পুৰণ গলিয়াৰ লগত এঘাৰ টকাৰ বাজী। আগদিনাই পান-তামোলেৰে নিমন্ত্ৰণ দি থৈ গৈছিল পুৰণ গলিয়াৰ দুই দুৰন্ত ফাষ্ট বলাৰ সপা আৰু ডনাই(সপা মানে বটলৰ সাঁফৰ আৰু ডনা মানে কলৰ দোৰোল)। এই দুই বলাৰ আছিল আমাৰ সৰুকালৰ ত্ৰাস। কোনে জানো ইমান সুন্দৰকৈ দুয়োকে গননা কৰি জাউতিযুগীয়া নাম কেইটা ৰাখিছিল নাজানো কিন্তু সিহঁতৰ আচল নাম আমি কাহানিও নাজানিলো। সপা আৰু ডনা বুলি মাতিলেই সিহঁতে হাঁহি হাঁহি মাতিছিল বাবে আমিও দুয়োকে সেই নামেৰেই মাতিছিলো। পুৰণ গলিয়াৰ আন দুজন অলৰাউণ্ডাৰ আছিল নিপন আৰু পুনীল। সুন্দৰ বলিং আৰু বেটিং কৰে উভয়ে। তাৰ লগতে অচিন্ত্য, ডিম্বে, নাউধন, ভাস্কৰ, ৰমেন, ৰাতুল, হেমন্ত, পিংকু আদিৰে পুৰণ গলিয়াও এটা উচ্চমানৰ টীম আছিল। ধনজিত আৰু মই পিটচ্ ইন্সপেকছন কৰিব গ'লো। ঘাঁহ, মইশ্বৰ চাবলৈ নহয়! ক'ত ক'ত খলাবমা আছে চাবলৈহে কাৰণ আমি দুয়ো অপেনিং কৰিম। সপা আৰু ডনাই কু-কুৱাই বিজুলী গতিত প্ৰেৰন কৰা ৰঙা মাৰুটী বল প্ৰথম চাৰি ওভাৰ খেলিম আমি দুয়ো। আমাৰ দুয়োৰে যিহে মৰাপাটৰ কাঙ্গি সদৃশ মস্ত-মস্ত নোদোকা ভৰি। ঠেঁটুৱৈ লগা জাৰত ফ্ৰন্ট ফুটট খেলোতে ভৰিত বল লগা অংশটো মোটামূটি উৰঁলি যোৱাৰ উপক্ৰম হয়। তলপেটৰ তলত দুই ভৰিৰ মাজত হাড়নোহোৱা মাংসপিণ্ড ডোখৰত লাগিলে আৰু কোনে পায়? কলিজাটো কোনোবাই মোহাৰি চিঙি পেলোৱা যেন লাগে। পেডচ্, গাৰ্ড আদি বস্তু আমাৰ বাবে আছিল সপোন।


নিৰ্দিষ্ট সময়ত আম্পায়াৰ চাহাবে পুৰণ গলিয়াৰ কেপ্তেইন নিপন আৰু মোক মাতি নি টচ্ কৰিলে। যোল্ল ওভাৰৰ খেল। টচত জিকা মানেই বেটিং কৰাটো নিয়ম। টচত জিকি ফীল্ডিঙৰ অপছন্দ যে থাকে আমি আচলতে নাজানিছিলোঁ। সেইদিনা আমিয়েই টচত জিকিলো আৰু অবধাৰিতভাবেই বেটিং অপছনটো ললোঁ। ড্ৰেছিংৰূম মানে খেলপথাৰৰ ইটো মূৰত আমি বহিছো আৰু আম্পায়াৰৰ চিগনেলৰ বাবে ৰৈ আছোঁ। মোৰ দাদাৰ ল'ৰা বাবলু আহি ওলাল গুৱাহাটীৰ পৰা। পৰীক্ষাৰ বন্ধৰ বাবে ককাকৰ ঘৰলৈ আহিছে। কোনোবাই হেনো খবৰ দিলে আমাৰ মেচ আছে। গতিকে উধাতু খাই ফীল্ড পালেহি। আহিয়েই ক'লে যে সিও খেলিব। ইফালে আমাৰ টীম ৰেডী। কাক বলি দিয়া যায় ভাবি-চিন্তি মনজিত বিহাৰীক অফাৰটো দিয়া হ'ল। এনেয়ে একো কথা নোকোৱা 'কূল কুকুম্বাৰ' মনজিত সেইদিনা আকৌ নাচৰ বান্দা। নাই খেলিবই। আমি বোলো বাবলু গুৱাহাটীৰ প্লেয়াৰ। আমাৰ জিকাৰ চাঞ্চ অলপ বাঢ়িলেহেঁতেন সি খেলিলে। সপা আৰু ডনাৰ প্ৰতিটো বল বাউণ্ডেৰীৰ বাহিৰ কৰি দিলেহেঁতেন। নাই মনজিতে নামানিলে। অবশেষত খেল আৰম্ভ হ'ল। বেটিং ক্ৰীজত স্ট্ৰাইকিং এণ্ডত মই আৰু নন-স্ট্ৰাইকিং এণ্ডত ধনজিত। প্ৰথম ওভাৰ কৰিব ডনাই। মোৰ বুকু দুৰুদুৰুকৈ কপিছে। খেলপথাৰ মানুহেৰে ভৰি পৰিছে। সৰ্বশক্তিমানক প্ৰাৰ্থনা জনাইছোঁ যে কিবাকৈ আউট নোহোৱাকৈ ৰাখিবা। তেৰা-বেকা হৈ 'দন্ত্য দ' ৰূপ লৈ হলেও বেটৰ চুকে-কোনে কৰবাত লগাই দুই-চাৰি ৰান কৰিব পাৰিলেই ৰক্ষা। ডনাৰ প্ৰথম তিনিটা বল মই দেখা নাপালোঁ। ৰঙা ৰশ্মিৰ আভা এটি পাৰ হৈ যায় কু-কুৱাই। বাউণ্ডেৰীৰ বাহিৰৰ পৰা কোনোবা মস্তান দৰ্শকে চিঞঁৰিলে- 'হেৰৌ হৰকান্তৰ পুতেক মৰমৰ মাউলামুৱা, বল দেখা পোৱা নাই নেকি ঐ বাপু? মাৰক সৰু মাছ আৰু সেউজীয়া পাঁচলি খুৱাব ক'বি বোপাই।' মই নুশুনাৰ ভাও জুৰি পুনৰ খেলত মনোনিবেশ কৰিলোঁ। চাৰি নম্বৰ বলটো মই গম নোপোৱাকৈয়ে বেটৰ চাইডত লাগি ৱিকেট কীপাৰ আৰু ফাৰ্ষ্ট স্লীপৰ মাজেৰে পাৰ হৈ বাউণ্ডেৰী পালেগৈ। বাকী দুটা বল

(আঠপৃষ্ঠাত চাওক)


অসম চৰকাৰ
নিৰ্বাচনী প্ৰতিশ্ৰুতি হ'ল পূৰণ
আইমাতৃৰ দুঃশ্চিন্তাৰ ঘটিল অৱসান
মাইক্ৰ'ফাইনেঞ্চৰ ঋণ পৰিশোধেৰে চৰকাৰে দিছে বৃহৎ সকাহ
অসম মাইক্ৰ'ফাইনেঞ্চ উদগনি আৰু সকাহ আঁচনি, ২০২১
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
মাৰ্চ, ২০২২ লৈ আঁচনিৰ দ্বাৰা উপকৃত হ'ব ১০.৯৭ লাখ হিতাধিকাৰী
মুঠ নিৰ্ধাৰিত ব্যয় (সকলো শাখাৰ): ৭,২০৩ কোটি টকা
এতিয়ালৈকে আঁচনিখনত হোৱা মুঠ ব্যয়ৰ পৰিমাণ ৪৭৩.০০ কোটি টকা
এতিয়ালৈকে আঁচনিখনৰ দ্বাৰা ২.৪৮ লাখ হিতাধিকাৰী উপকৃত হৈছে
প্ৰথম শ্ৰেণীৰ হিতাধিকাৰীৰ পাছত বাকী দুটা শ্ৰেণীৰ হিতাধিকাৰীক পৰ্যায়ক্ৰমে উদগনিমূলক সাহায্য প্ৰদান কৰা হ'ব
JANASANYOG- 3421/21
Exclusive/DIPR/01-2022
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us @diprassam
dipr.assam.gov.in

# সৰস্বতী পূজা

**ময়ূৰাক্ষী গগৈ, যোৰহাট**



সৰস্বতী পূজা আৰু শিক্ষাৰ্থীৰ
মাজত এক আত্মিক সম্পৰ্ক আছে।
প্ৰত্যেক বছৰৰ দৰে এই বছৰো
বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীক
আদৰিবলৈ বৈ আছে
কণ কণ শিক্ষাৰ্থী হঁত।
বাগ্ দেৱীৰ এধানি আশীষ বিচাৰি
অভিভাৱকসকলেও বাট চাই আছে
ধূপ-বন্তিৰ সৈতে এখনি শৰাই আগবঢ়াবলৈ।
কণ কণ শিক্ষাৰ্থী হঁতৰ আশা
গা-পা ধুই সেই দিনা
এজোৰ ৰঙীন পোছাক পিন্ধি যাবলৈ।
কিন্তু এই আপদীয়া কৰোনাৰ কাৰণে
আমাৰ কল্পনা-জল্পনা বোৰ
নিমিষতে উৰি যায়।
তথাপিও আমি সজাগ হৈ
মাস্ক পিন্ধি, সামাজিক দূৰত্ব বজাই ৰাখি
সকলোৱে মিলি শিক্ষাৰ্থীৰ হেঁপাহৰ
সৰস্বতী পূজা পালন কৰো আহক।

# আমিবোৰ....

**নন্দেশ্বৰ মিলি**



ধন-সম্পদৰ লালসাত আমি
দিনে-ৰাতিয়ে ব্যস্ত থাকোঁ
যন্ত্ৰবদ্ধ চাবিটিৰ হাতত
আমি পুতলা হৈ যাওঁ।
সেউজ হৃদয়বোৰত ক্ৰমশঃ
হালধীয়া ৰঙে বাহ লয়
কৃত্ৰিমতাৰ আৱৰণ পিন্ধি আমি
নিজেও অচিনাকি হৈ যাওঁ।

# আমি সদায় ভাল


সহায় কৰি দিয়াই হওঁক। আমি আমাৰ দৈনন্দিন জীৱনত কেতিয়াবা নহয় অৰ্থা সদায়েই বিশেষ কৰি তোলাৰ চেষ্টা কৰিব লাগে। কাৰণ আজি কালি পঢ়া-শুনাটো সকলোৱেই কৰে। কাৰণ এতিয়া প্ৰতিযোগিতাৰ যুগ। দিনটোত অলপ সময় নিজৰ বাবে উলিয়াই নিজৰ ভাল লগা কামবোৰ কৰিব লাগে। কিয়নো আমাৰ এই কাম সমূহৰ দ্বাৰা আমি নিজক চিনি পাব পাৰো। আৰু সেই ভাল লগা কামবোৰ বা সময় বোৰ আমাৰ মনৰ স্মৃতিকোণত সজীৱ হৈ থাকে আজীৱন। সেই কামবোৰেই আমাৰ প্ৰত্যকটো দিন বিশেষ কৰি তোলে।

# থাৰ্টি-চেভেন

কিবাকৈ ডীফেণ্ড কৰি উশাহ ললোঁ। পিছৰ ওভাৰ ধনজিতে খেলিব। এইবাৰ বল হাতত লৈ সপা ৰেডী। ছয়টা বল কিবাকৈ খেলি সেই ওভাৰত সি দুই ৰান কৰিৰিলে। আকৌ মোৰ পাল। ডনা ৰেডী বলিং এণ্ড ত। প্ৰথম বল কোন ফালেৰে পাৰ হ'ল দেখা নাপালোঁ। মিডল স্টাম্প উফৰি গ'ল মোৰ। সেই ওভাৰতে দিগেশ আৰু চুনুও পেভিলিয়নমুখী হ'ল। পিছৰ ওভাৰ ধনজিতে কিবাকৈ খেলি আৰু তিনিৰান যোগ দিলে। কেপ্টেইন নিপনে ডনাৰ স্পেল শেষ নকৰি আকৌ বল কৰিব ক'লে। ওভাৰৰ শেষৰটো বলত ধনজিত আউট হ'ল। স্কৰ পিছে একেই থাকিল। নিহাৰে বেটিং ক্ৰীজত ঠিয় দিয়েই পুনিলৰ পৰৱৰ্তী ওভাৰৰ প্ৰথম তিনিটা বলত চি'ৰ কোবাই চাৰি নম্বৰ বলটোত ক্লীন ব'ল্ড হৈ উভটিল। আমাৰ অবস্থা কাহিল হ'ল। শেষত চুচৰি-বাগৰি 'টীম পশ্চিমহাটী'ৰ স্কৰ হ'লগৈ সাতত্ৰিশ। ইংৰাজী মিডিয়াম স্কুলত পঢ়া বাবলুৱে সুধিলে সাতত্ৰিশ মানে কিমান? মই ক'লো যে থাৰ্টি-চেভেন! সি হাঁহিলে আৰু ক'লে যে থাৰ্টিচেভেন ডীফেণ্ড কৰিব পাৰিবি জানো? মোৰ আৰু ধনজিতৰ মুখত কি পোকে কামুৰিলে নাজানোঁ কিন্তু মৰসাহ কৰি সমস্বৰে ক'লো দুয়ো- 'থাৰ্টিচেভেন ৱিল বি ডীফেণ্ডেড' পোন্ধৰ মিনিট ব্ৰেকৰ পিছত পুৰণ গলিয়াৰ বেটিঙৰ পাল। আমি ফীল্ডৰ মাজত বৈ পুৰা টেনছনত মাথা মাৰিছো। কি কৰা যায়? মনজিত বিহাৰীক প্ৰথম ওভাৰৰ বাবে বাছনি কৰিলোঁ। টীমৰ শ্ৰেষ্ঠ বলাৰদ্বয় জিতু আৰু নগেশক পিছলৈ ৰাখিলোঁ যাতে ক্ৰাইছিছৰ মুহূৰ্তত কামত আহে। ভাগ্যৰবি সুপ্ৰসন্ন আছিল। বিহাৰীৰ বল নিখুঁত ঠাইত পৰিল। প্ৰথম ওভাৰত সিহঁতৰ অপেনাৰ পিংকু আৰু কেপ্টেইন-অলৰাউণ্ডাৰ নিপন পেভিলিয়নমুখী হ'ল। স্কৰ কৰিব নোৱাৰিলেই। পৰৱৰ্তী ওভাৰ কৰিবলৈ আহিল গৌতম সিঙ। সেই ওভাৰত আচৰিত ধৰনে এটা উইকেটৰ পতন হ'ল আৰু দুইৰান স্কৰ কৰিলে। বিহাৰীৰ পৰৱৰ্তী ওভাৰ এখোপ চৰা হ'ল। এটা ফ'ৰ মাৰিলে যদিও অচিন্ত্য আৰু ডিম্বে পেভিলিয়নমুখী হ'ল। আমি আশাৰ হেঙুলীয়া কিৰন দেখা পালোঁ। গৌতমৰ পৰৱৰ্তী ওভাৰত চাৰিৰান সংগ্ৰহ কৰিলে অলৰাউণ্ডাৰ পুনিলে। চাৰি ওভাৰৰ পিছত পাঁচটা ৱিকেট হৰুৱাই দহ ৰান। মেটচ ইভেনলী পইজড্! আমাৰ শ্ৰেষ্ঠ বলাৰ জিতুৰ পাল। পুনিলক আউট কৰিব পাৰিলেই মেচ আমাৰ হাতত। উত্তেজনা বাঢ়ি বুকুত মাদল বাজিছে সকলোৰে। জিতুৰো বুকুত চাগৈ মাধুৰী দিক্ষিতৰ দৰে ধক্ ধক্। প্ৰথম বল দিবলৈ আহিয়েই তাৰ মুখৰ পৰা ওলাল...'হু...উ্'! আমি বোলো সৰ্বনাশ। নে'ট বল....'হু...উ'! আৰম্ভ ৱাইডৰ বৰষুণ। চাৰিটা ৱাইড বল দিয়াৰ পিছত আমি জিতুক বুজাইছো। এল বালা ওৰফে ৰিংকুও আহি জিতুৰ সোঁহাতখন টানিও দিলে দুবাৰমান। ক'লে 'হু...উ'....চাউণ্ড হোৱাৰ সময়ত হেনো তাৰ হাতখন বেকা হয়। জিতু ৰেডী পুনৰ। এইবাৰো ওলাল....'হু...উ'....! আমি চকু মুদি দিলোঁ। এইবাৰ পিছে বল চিধাই গ'ল আৰু পৰিল ঠিক পুনিলৰ বেটৰ আগত। ধুপ কৈ শব্দ এট উঠি বল নীল গগন ভেদি কাষৰ জংগলত সোমাল। সঠিককৈ হিচাপ কৰিলে সেইটো আচলতে ছয় নহয় বাৰমান হ'লহেতেন। সকলোৱে বল বিচাৰোতে পাঁচ-ছয় মিনিট গ'ল। জিতুক বুজালো যে তাৰ ওভাৰেই আমাৰ ভাগ্য নিয়ন্তা হ'ব। বাবলু ফীল্ডৰ ভিতৰলৈ আহিল পানীৰ বটল লৈ। আমাতকৈ টেনছন বেছি হৈছে তাৰ। জিতুক পুৰা উৎসাহ দি সি বাহিৰলৈ গ'ল। পৰৱৰ্তী বলত 'হু....উ' আৱাজ নোলাল যদিও পৰাক্ৰমী পুনিলে কোবাই বল আকাশ মাৰ্গেৰে বাউণ্ডেৰী পাৰ কৰিলে। আমি মূৰে-কপালে হাত দিলোঁ। জিতু আকৌ ৰেডী ৰানআপত। মিচিকিয়া হাঁহি এটা মোৰ পিনে মাৰি ক'লে যে চাই থাক....এইবাৰ আউট কৰিমেই। মই চকু মুদি থাকিলোঁ। নাই এইবাৰ 'হু....উ' নুশুনিলো। পুনিলৰ তিনিওদাৰ স্টাম্প উফৰি গ'ল। আমি গগনফালি চিঞঁৰিলো। পুৰন গলিয়া ছয় উইকেটট ছাব্বিশ ৰান। টেইল আৰম্ভ। এতিয়াও বাৰ ৰান কৰিব বাকী। আমাৰ ক্ষীণ আশা আছে এতিয়াও। জিতুৰ পৰৱৰ্তী তিনিটা বলত আৰু দুটা উইকেট। পুৰন গলিয়া আঠ ৱিকেটত ছাব্বিশ ৰান। ধনজিত আৰু মই ভাবিলোঁ যে মনজিত বিহাৰীৰ বল যেতিয়া লাইন-লেংথত পৰি আছে, তাৰ দাৰাই পাৰিলে খেল শেষ কৰোঁ। পিছে কেপ্টেইন আৰু ভাইচ কেপ্টেইনৰ এইবোৰ অনাহক দখল আন্দাজি প্ৰতিবাৰেই চলিব জানো? নগেশে আহি ক'লে যে সিও বাহৰ 'খুপলি' ভাঙি টকা এটি দিছে সমানে। গতিকে সি বল দিব আৰু খেলখন সিয়েই জিকাব। আমি উপায়ন্তৰ হ'লো। এল বালা ওৰফে ৰিংকু আৰু নিহাৰে নালাগে বুলি ক'লে। পিছে নগেশে নামানে। খেল এৰি আধাতে গুছি অহাৰ হুংকাৰ দিলে আৰু ক'লে আমাৰ গাঁৱৰ পিটচ্ খনো গৈয়েই খান্দি পেলাব হেনো। উপায় নোহোৱাত নগেশক বলটো দিলোঁ। নগেশ বলিং ৰানআপত ৰেডী। আমি বুঢ়াগোসাঁইক প্ৰাৰ্থনা কৰিছোঁ যে জিকাই দিবা আৰু কিবাকৈ। আম্পায়াৰৰ ওচৰত জাপ মাৰি হাত ঘূৰাই বল ডেলিভাৰী নৌহৌতেই চিঞৰিলে....'হাউচ'! সম্মুখত ডনা 'দ্য স্পীডস্টাৰ'। মুখখন বিকটাই চকু মুদি দিলে বেট ঘূৰাই। বল বাউণ্ডেৰী পাৰ। পুৰন গলিয়া আঠ ৱিকেটত বত্ৰিশ ৰান। আমি বোলো বেপাৰ শেষ। তথাপি নগেশক হাতে-ভৰিয়ে ধৰি বুজনি দিলো। কিজানি শেষ ৰক্ষা হয়েই! পৰৱৰ্তী বলত ডনাৰ তীব্ৰ কোব। বল চিধাই ওপৰলৈ উঠি গৈছে। নগেশে চিঞঁৰিলে- কোনো আহিব নালাগে মই ধৰিম। নগেশে বলৰ তলত অবস্থান কৰিছে। আগতে ক'বলৈ পাহৰিছো যে নগেশৰ আগদাঁত পাৰি অকন বাহিৰৰ ফালে হাতবাউলি থকা ধৰনৰ। দুই হাতৰ লগতে মুখখনো উত্তে জনাতে মেলি ৰৈছে। আমিবোৰে চিঞঁৰিছো....কেটচ্ ৰঙা মাৰুটী ব'ল হনুমান গতিত নামি আহি নগেশৰ ওচৰ পাঁওতেই বেচেৰাৰ অলপ জোটাপোটা লাগিল আৰু বলটোৱে শব্দ কৰিলে....থক! বল নগেশৰ হাতত নালাগি লাগিল ওলাই থকা আগ দাঁতপাৰিত। কেটচ্ মিচ্! ডনাই একৰান দৌৰি ল'লে ইতিমধ্যে। আমি গৈ নগেশৰ ওচৰ পাই শুশ্ৰূষাত লাগিলোঁ। অলপ তেজ ওলাইছে যদিও বিশেষ একো হোৱা নাই। নগেশে প্ৰকৃতিসহ হৈ পৰৱৰ্তী চাৰিটা বলত এক ৰানো খৰচ নকৰাকৈ সপাক পেভিলিয়নমুখী কৰি ওভাৰ শেষ কৰিলে। পুৰন গলিয়া ন ৱিকেটৰ বিনিময়ত তেত্ৰিশ। পুৰা টেনছনত আমি। এটা ৱিকেট লাগে মাথোন। কিন্তু স্ট্ৰাইকিং এণ্ডত ডনা। ছয় এটা মাৰিলেই শেষ। জিতুক লৈ ৰিস্ক ল'ব নোৱাৰি। 'হু...উ.....' কৰি থাকিলে ৱাইডেৰে খেল শেষ হ'ব। মনজিত বিহাৰী আৰু গৌতম সিঙ ও অলপ টেনছনত যেন লাগিল। এল বালা ওৰফে ৰিংকু এনে সময়ত সদায়েই বিন্দাছ। টেনছন নামৰ জিনিচ তাৰ গাওঁলীয়া অভিধানত নাই! ধনজিত আৰু মই ভাবিলোঁ এল বালাই আমাৰ নাও পাৰ লগাব। এল বালাৰ ওৰফে ৰিংকুৰ হাতত বল দি মোটামুটি গোটেই প্লেয়াৰ বিলাক বাউণ্ডেৰী লাইনত সষ্টম কৰি ৰাখিলোঁ। এল বালাই দৌৰি গৈ ডনালৈ টোৱাই বল কৰিলে। ডনাই গাৰ জোৰেৰে বেট ঘূৰাই দিলে। ধুপকৈ শব্দ এটা কৰি বল উৰি গ'ল। শব্দটো শুনিয়েই কলিজাটো খহি যোৱাৰ উপক্ৰম হ'ল। ভাবিলোঁ আকাশলংঘী চিক্স ৰাতিপুৰা আহি থাকোতে বাটত যোৰা-শালিকা এহাল আৰু প্ৰকাণ্ড দঁতাল হাতী এটা আমি সকলোৱে দেখি আহিছিলোঁ। ধনজিতে হেনো জিকিলে চিনি এপোৱা বুঢ়াগোঁসাইক ভেটি দিম বুলিও মানস কৰি আহিছিল। প্ৰভু ঈশ্বৰ পুৰাই সন্তুষ্ট আছিল সেইদিনা 'টীম পশ্চিমহাটী'ৰ ওপৰত। বাউণ্ডেৰীত নিহাৰে ছয়-সাত ফুট দীঘলীয়া জাপ এটা মাৰি সকলোকে স্তম্ভিত কৰি এক হাতেৰে বলটো ঠাপকৈ ধৰি নিজেও বিশ্ময়ত ক'ব নোৱাৰা হৈ চিঞঁৰি দিলে....জিকিলো! আমি যেন নিজৰ চকুকেই বিশ্বাসেই কৰিব পৰা নাই। সকলোৱে কিৰিলি পাৰি আম্পায়াৰৰ পৰা টকা বাইশটা ল'লো। বাহিৰত আহি দেখোঁ সকলোতকৈ সুখী মানুহজন বাবলু। ফূৰ্তিত নাচি আছে আৰু চিঞঁৰিছে....হুৰাহ! থাৰ্টিচেভেন....ডিফেণ্ডেড!! থাৰ্টিচেভেন....ডিফেণ্ডেড!

# ভাৰতীয় গণতন্ত্ৰ, সংবিধান আৰু দায়বদ্ধতা

ফখৰুদ্দিন আহমেদ



পৃথিৱীৰ সৰ্ব বৃহৎ গণতান্ত্ৰিক দেশ হৈছে আমাৰ মাতৃভূমি ভাৰতবৰ্ষ। বেলি ডুব নোযোৱা দেশৰ গৰাকী ইংৰাজ সকলৰ কবলৰ পৰা সুদীৰ্ঘ দুশ বছৰ পিছত ভাৰতবৰ্ষই বিগত ইং ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা স্বাধীন হৈছিল। স্বাধীনতাই ধৰ্মৰ ভিত্তিত ভাৰতবৰ্ষলৈ বিভাজন মাতি আনিছিল। উক্ত বছৰৰেই ১৪ আগষ্টৰ দিনাখন বৰ্তমানৰ স্বাধীন বাংলাদেশ আৰু পাকিস্তানে ইংৰাজ সকলৰ পৰা স্বাধীনতা লাভ কৰিছিল। তেতিয়া বাংলাদেশৰ নামাকৰণ হৈছিল পুব পাকিস্তান হিচাপে।

দেশ বিভাজনৰ এই প্ৰক্ৰিয়া ধৰ্মৰ ভিত্তিত হ'লেও তাত সমাবেশ ঘটিছিল ৰাজনৈতিক কুৎচিৎ মানসিকতাৰ। ৰাজনৈতিক মুনাফা লাভৰ উৰ্ধত যিসকল মুছলমান আছিল তেখেত সকলে এই বিভাজনৰ দুৰ্ঘোৰ বিৰোধীতা কৰিছিল। যাৰ ফলত পাকিস্তানপন্থী ইছলাম ধৰ্মীয় পণ্ডিত সকলে ভাৰতবৰ্ষক কোনো কাৰণতে এৰি নাযাবলৈ অংগীকাৰবদ্ধ ইছলাম ধৰ্মীয় পণ্ডিত সকলক " কাফিৰ" বুলি আখ্যায়িত কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। বিশেষকৈ উত্তৰ প্ৰদেশত অৱস্থিত দেউবন্দী ইছলাম ধৰ্মীয় পণ্ডিত সকলক এই আখ্যাৰে পাকিস্তানপন্থী সকলে আখ্যায়িত কৰিছিল।

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলন বুলি উল্লেখ কৰিবলৈ গ'লেই জাতি, ধৰ্ম, বৰ্ণ আৰু সম্প্ৰদায় আদি নিৰ্বিশেষে এখন পতাকাৰ তলত সমবেত হৈ এক উদ্দেশ্যত নিজৰ দেশৰ কাৰণে নিজক উৎচৰ্গিত কৰা এটি সফল আন্দোলনৰ গৌৰৱময় ইতিহাসৰ কথাই মনলৈ আহে।

দেশে লাভ কৰা স্বাধীনতা সংগ্ৰামৰ অন্যতম নেতা জাতিৰ পিতা মহাত্মা গান্ধীক হত্যা কৰা হৈছিল স্বাধীনতা লাভৰ প্ৰথম বছৰটোৰ ভিতৰতেই। হত্যাকাৰী আছিল উগ্ৰ হিন্দুত্ববাদী নেতা নাথুৰাম গডছে।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা কাৰ্যই সম্প্ৰতি হীৰক জয়ন্তী অতিক্ৰমৰ সোপানত ভৰি দিছে। সমাজ, সংস্কৃতি, ৰাজনীতি, শিক্ষা, আধ্যাত্মিক, ধৰ্মীয়, সাহিত্য, বিজ্ঞান আৰু অৰ্থনীতি আদি প্ৰায়বোৰ ক্ষেত্ৰতেই যদি সাম্প্ৰতিক সময়ত গভীৰ ভাৱে কৰা বিচাৰ বিশ্লেষণবোৰ অধ্যয়ণ কৰিলে কেউফালে দেখা যায় কেৱল নেতিবাচক দিশ।

আমি জানিব পৰা মতে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা দিনটোত স্বাধীনতা সংগ্ৰামৰ নেতা বাপুজীয়ে অনশন পালন কৰিছিল। কাৰণটো আছিল দেশে স্বাধীনতা লাভ কৰিছিল ঠিকেই কিন্তু অৰ্থনৈতিক স্বাধীনতা লাভ কৰাৰ ক্ষেত্ৰত পৰিপক্ক এটি ব্যৱস্থাপনা তদানিন্তন ভাৰতবৰ্ষত গা কৰি উঠা নাছিল।

স্বাধীনতাৰ পিছৰ বিগত প্ৰায় ৭৬ টা বছৰ ভাৰতবৰ্ষক কংগ্ৰেছ, ভাৰতীয় জনতা দল আৰু ভাৰতীয় জনতা পাৰ্টী আদি ৰাজনৈতিক দলে শাসন কৰি আহিছে। উক্ত বৰ্ষবোৰত ৰাজনৈতিক দলবোৰে শাসনৰ নামত ভাৰতীয় জনগনক কি দিলে ইয়াৰ খতিয়ানৰ বিশ্লেষণ কৰিলে প্ৰথমতেই অনুভৱ হয় দুটি কথাৰ সত্যতা । তাৰে প্ৰথমটি হৈছে গণতন্ত্ৰত মুৰ্খৰ ৰাজত্ব হয় আৰু দ্বিতীয়টি হৈছে চয়তানৰ শেষ আশ্ৰয় ৰাজনীতি।

গণতন্ত্ৰ মানে ৰাইজেই ৰজা। পিছে ৰাইজৰ ক্ষমতাৰ ক্ষেত্ৰখনি ক'ৰ পৰা ক'লৈ চালে দেখা যায় সংসদীয় ৰাজনীতিত পাছ টা বছৰলৈ বাঘজৰী ৰাজনৈতিক নেতাৰ হাতত গটাই দিবলৈ দিয়া ভোটদানেই ৰাইজৰ শেষ অধিকাৰ হৈ গৈ আছে। এই কথা ৰাজনীতিৰ অনুৰ্বৰ মগজুৰ অধিকাৰী পঞ্চায়ত প্ৰতিনিধিৰ পৰা আৰম্ভ কৰি লোক সভাৰ মজিয়ালৈ নিৰ্বাচন কৰি পঠোৱা সাংসদলৈকে দেখিবলৈ পোৱা যায়। কাৰণ সৰ্ব সাধাৰন ভোটাৰ ৰাইজৰ বাবে নিৰ্বাচনৰ পিছৰ পৰ্যায়ত পঞ্চায়তৰ সদস্য, সভাপতি, আঞ্চলিক সদস্য, বিধায়ক আৰু সাংসদ সকল আকাশৰ ঢুকি নোপোৱা গ্ৰহ নক্ষত্ৰ সদৃশ হিচাপে বিবেচিত হৈ পৰে। ৰাইজৰ জনপ্ৰতিনিধি সকল আৰু সাধাৰন ভোটাৰ ৰাইজৰ মাজৰ মধ্যস্থতাকাৰী সকল একো একোডাল বিয়াগোম অজগৰৰ দৰে। দুৰ্নীতি আৰু দালালিৰাজ এই মধ্যস্থতাকাৰী সকলৰ জীয়াই থকাৰ মন্ত্ৰনা।

স্বাধীন দেশ ভাৰতবৰ্ষৰ এখন সংবিধান থকাৰ পিছতো সাম্প্ৰতিক ভাৰতবৰ্ষত অসাংবিধানিক কাৰ্যকলাপে আৱৰি ধৰিছে। "অনৈক্যৰ মাজত ঐক্য"হৈছে ভাৰতবৰ্ষৰ সাংস্কৃতিক ঐতিহ্য। বিভিন্ন ধৰ্ম, বিভিন্ন জাতি, বিভিন্ন সম্প্ৰদায়, ভৌগোলিক বৈষম্যতা আদিৰ দৰে সাংস্কৃতিক দিশতো ভাৰতবৰ্ষত অনৈক্যতা আছে।কিন্তু সেই অনৈক্যতায়েই ভাৰতবৰ্ষৰ ঐক্যতাৰ অমোঘ অস্ত্ৰ। কিন্তু সম্প্ৰতি সেয়া যেন সুদূৰ পৰাহত হ'বলৈ গৈ আছে। বিগত কিছু দিন পূৰ্বে ৰায়পুৰ আৰু হৰিদ্বাৰত অনুষ্ঠিত হিন্দু ধৰ্ম সংসদত হিন্দু ধৰ্মৰ তথাকথিত সাধু, সন্নাসী সকলৰ বক্তব্যই সমগ্ৰ ভাৰতবাসীৰ অন্তৰত ধৰ্মীয় ভেদাভেদৰ বীজ সিচি বৈষম্যৰ সৃষ্টি কৰিবলৈ এটি পটভূমি সৃষ্টি কৰি থৈ গ'ল। লগতে পৃথিৱীৰ সভ্য সমাজে দেখা পালে ধৰ্মৰ নামত ভাৰতবৰ্ষত সম্প্ৰতি চলি থকা অধাৰ্মিক বাতাৱৰণ। এই পৰিবেশে ভাৰতবৰ্ষৰ সভ্য সমাজকো পৃথিৱীৰ সমূখত লজ্জানত কৰিছে। ইয়াৰ অন্তৰালত আছে ৰাজনীতিৰ কুটিল চক্ৰান্ত।

ভাৰতবৰ্ষৰ এখনি সংবিধান থকাৰ পিছতো, সাংবিধানিক ভাৱে ভাৰতবৰ্ষ ধৰ্ম নিৰপেক্ষ বুলি ঘোষিত হোৱাৰ পিছতো কিছুমান ৰাজনৈতিক নেতাই, কিছুমান তথাকথিত হিন্দু সনাতন ধৰ্মী সাধু সন্নাসীয়ে মুকলি মুৰীয়া ভাৱে ভাৰতবৰ্ষক হিন্দু ৰাষ্ট্ৰ বুলি ঘোষনা কৰা কাৰ্য কেৱল নিন্দনীয়ই নহয়, দেশৰ ঐক্য সংহতিৰ বাবেও ভয়াবহ বাবে বিপদজনকো হৈ পৰিছে।

এনে এক সন্ধি ক্ষণত ভাৰতীয় হিচাপে সকলোৰে কৰ্তব্য আৰু দায়িত্ব আছে। নিজৰ নিজৰ প্ৰতিভাবোৰ যোগাত্মক কৰ্ম স্পৃহাৰে দেশবাসীৰ প্ৰতি উৎসৰ্গিত কৰাৰ পণ ল'ব লাগিব দেশৰ শিক্ষিত আৰু যুব চামে। তেতিয়াহে ধৰ্মীয় অসহিষ্ণুতাবোৰ মানবীয় সহিষ্ণুতালৈ পৰিৱৰ্তিত হ'ব বুলি আশা কৰিব পাৰি ।লগতে ৰাজনীতিৰ বাবে তথা শাসনৰ কাৰণে নহৈ দেশবাসী প্ৰতি আত্মোৎসৰ্গিত মনোভাবেৰে সৰ্ব ভাৰতীয় তথা আঞ্চলিক দলবোৰে তথা চৰকাৰী প্ৰশাসনে সংবিধান প্ৰদত্ত অধিকাৰ ভাৰতৰ জনতাই উপভোগ কৰিব পাৰিছে নে নাই তাৰ প্ৰতি চোকা নজৰ ৰাখিব লাগিব।

# শেষ বাৰ গাই যাওঁ - বিষাদৰ গান

দেৱ প্ৰসাদ বৰা ,কছাৰীহাট, গোলাঘাট



আকাশলৈ ডিঙি মেলি
সিহঁতে চিঁ-চিঁয়াইছিল —
কলকলাই আওৰাইছিল
সুমধুৰ সংগীতৰ আদিপাঠ
সা — ৰে -গা -মা — পা-
সমবেত কলস্বৰ..
ৰুণ দিয়া ক্ৰৌঞ্চ পখীৰ
গানে গানে নাচিছিল,
সিহঁতৰ পাখিহীন ডেউকাত
বিশ্ব জিনাৰ আখৰা,
চকু মেল নাখাওঁতেই
সপোনৰ অযুত উন্মাদনা —
পাখি গজিলেই
কুৰুৱা লহৰত মেলি দিব —
দিগন্ত প্ৰসাৰী
আলফুল দুখনি ডেউকা..
জান-জুৰি নদ-নদী বিশাল সাগৰ
হেলাৰঙে অতিক্ৰমি পৰ্বত কণ্ডৰ
প্ৰতিটো প্ৰভাতত গায় যাব
প্ৰভাতী পখীৰ গান .
কিন্তু হায় !
ক'ৰ জানো পছোৱা এজাক
হথাতে ধুমুহা হৈ
বোকোচাত বান্ধি আনি
বলীয়া ঘোঁৰাৰ দৰে
মেলি দিলে অলক্ষিতে
হাজাৰ লক্ষ তীখাল তীৰ
দুৰ্জেয় অভ্ৰভেদী...
হথাৎ মৌন হ'ল কাকলি কণ্ঠ
পলকতে নিমাওমাও
চৌদিশ-চৌপাশ,
ভয়ত বিতত হৈ
স্তব্ধ হ'ল সপোনৰ দৌৰ,
ধুমুহাত হেৰাল
ৰুণ দিয়া ক্ৰৌঞ্চ পখীৰ
কুৰুলিৰ ৰাগিনী...
এজাক-
দুজাক-
তিনিজাক....
তীব্ৰবেগী পছোৱাৰ সোঁ-সোঁৱনিত
অনুৰণিত হ'ল-
' মা নিষাদ.. মা নিষাদ.. মা নিষাদ...'
আকাশে বতাহে ধ্বনিত হ'ল
ত্ৰাহি ত্ৰাহি আতুৰ কণ্ঠ..
বৈ আঁহা ফাল্গুনী
লগত লৈ জুৰ মলয়া
ভেটা দিয়া পছোৱাক
শেষ হওক তাণ্ডৱ,
শেষ বাৰ গাই যাওঁ
বিষাদৰ গান-
' মা নিষাদ প্ৰতিষ্ঠাং ত্বমগম
শ্বাশ্বতীঃ সমাঃ....'
মা নিষাদ- মা নিষাদ-মা নিষাদ....

(ক'ভিদ কালত বিশেষকৈ যিসকল শিশুৰ শাৰিৰীক, শৈক্ষিক বা অন্যধৰণে বাধাগ্ৰস্ত হ'ল তেওঁলোকৰ বাবে মোৰ সামান্য অনুভৱ)

# বিদ্যাৰ আৰাধ্যা দেৱী সৰস্বতী

কবিতা শৰ্মা,দিল্লী

দেৱী সৰস্বতী হিন্দু ধৰ্মৰ প্ৰমুখ দেৱী সকলৰ অন্যতম ... মাঘ মাহৰ শুক্লা পঞ্চমী (জানুৱাৰী - ফেব্ৰুৱাৰী ) মাহৰ পবিত্ৰ তিথিত এই পূজা কৰা হয়। বসন্ত ঋতুৰ সুআগমনৰ বতৰা অনাৰ বাবে এই পূজাক "বসন্ত পঞ্চমী" বুলিও জনা যায়। সাধাৰণতে সকলো শিক্ষানুষ্ঠানত বিদ্যাৰ্থী আৰু শিক্ষক -শিক্ষয়িত্ৰী সকলোৰে অতি মহত্ত্বপূৰ্ণ আৰু ভক্তি ভাবেৰে এই পূজা বিধি পালন কৰে। কেৱল বিদ্যাৰ্থী সকলেই কিয়, প্ৰতিজন ব্যক্তি - যি বিদ্যা, বুদ্ধি আৰু জ্ঞানৰ পূজাৰী, সাহিত্য আৰু সঙ্গীতৰ অনুৰাগী, কলাৰ ব্ৰতী সেই সকলোৰে ঘৰে ঘৰে সৰস্বতী পূজা কৰে। পূজাৰ দিনা প্ৰতিমা স্থাপন কৰি, ফলমূল - পৰমান্ন ভোগৰ নৈবদ্য আগবঢ়োৱা হয় । পূজাৰ শেষত প্ৰসাদ বিতৰণ কৰা হয়। লৰা ছোৱালী বিলাকৰ বিদ্যাৰ প্ৰাৰম্ভণি এই দিনটোতে কৰা হয়।

কথিত আছে যে এই দিনটোতে ব্ৰহ্মাৰ মুখৰ পৰা সৰস্বতীৰ জন্ম হৈছিল ... সেই সময়ত পৃথিৱীৰ জলধাৰাত কোলাহল ব্যপ্ত হৈ পৰিছিল, বতাহৰ সো -সোৱনীৰ শব্দত প্ৰকৃতি মুখৰ হৈ পৰিছিল। নিৰস পৃথিৱী ৰসাল হৈ পৰিছিল। দেৱতা সকলে তেতিয়াই শব্দ আৰু ৰসৰ সঞ্চাৰ কৰিব পৰা জ্ঞান, বিদ্যা, সঙ্গীত, সাহিত্য আৰু কলাৰ অধিষ্ঠাত্ৰী দেৱীৰ ৰূপত-সৰস্বতী নাম দিলে। ইয়াৰ বাহিৰেও শতৰূপা, বীণাপাণি, বাগদেৱী, ভাৰতী, বাণী, কৌশিকী, মহাশ্বেতা, হংসবাহিনী .... আদি শত নামেৰে সৰস্বতী দেৱীক জনা যায়।



সৰস্বতী দেৱীক সদায় এগৰাকী শুভ্ৰবসনা লাৱণ্যময়ী শান্ত সৌম্য নাৰীৰ ৰূপত চিত্ৰিত কৰা হয়। দেৱীৰ আসন — শ্বেত কমল, বাহন -- শ্বেত ৰাজহংস। দেৱীয়ে ছাৰি হাতত - বেদ-পুস্তক, স্ফটিকৰ মালা, বীণা আৰু কমণ্ডলু ধাৰণ কৰে। সৰস্বতীৰ শুভ্ৰ ৰং পবিত্ৰতা আৰু শান্তিৰ প্ৰতীক। শিক্ষা প্ৰাপ্তিৰ বাবে পবিত্ৰতা সকলোতকৈ প্ৰয়োজনীয়। পবিত্ৰতাৰ পৰা শ্ৰদ্ধা আৰু একাগ্ৰতাৰ জন্ম হয়। শিক্ষাৰ পৰা জ্ঞান প্ৰাপ্তি হয়। জ্ঞানৰ দ্বাৰা শুদ্ধ অশুদ্ধৰ পৰিচয় হয়। সেয়াই বিবেক। অৰ্থাত সৰস্বতীৰ উপাসক সকল মন ধ্যান আৰু কৰ্মৰে শুদ্ধ হোৱা উচিত। সৰস্বতীৰ বাহন ৰাজহংস-হংস এটা বিশেষ গুণৰ অধিকাৰী-ই তাৰ ঠোঁটেৰে গাখীৰ আৰু পানীৰ মিশ্ৰনৰ পৰা গাখীৰ পৃথক কৰিব পাৰে। ঠিক তেনেকৈয়ে সৰস্বতীক আৰাধনা কৰি আহৰণ কৰাজ্ঞ ানৰ দ্বাৰা আমি শুদ্ধ-অশুদ্ধ, ভাল - বেয়া, মূল্যবান মূল্যহীনৰ অন্তৰ বুজিব পাৰোঁ, যি আমাক শুদ্ধ পথেৰে অগ্ৰসৰ হবলৈ প্ৰেৰিত কৰে। সৰস্বতী শ্বেত পদ্মাসনত বিৰাজমান — যেনেকৈ পদুম ফুল বোকাত থাকিও পঙ্কিল নহয় .. ইয়াৰ আশে পাশে থকা পৰিবেশৰ সৈতে অলিপ্ত, বোকাত থাকিও যেনেদৰে ভ্ৰষ্ট নহয়, ঠিক সেইদৰে সৰস্বতীৰ উপাসক সকল ভ্ৰষ্টাচাৰৰ পৰা মুক্ত হৈ থকা উচিত। সৰস্বতীৰ হাতত থকা বেদ হ'ল -- বিদ্যা, জ্ঞান, জিজ্ঞাসা আৰু সাহিত্যৰ প্ৰতীক। বিদ্যাৰ পৰা জ্ঞান আহৰণ হয়,

জ্ঞানে শুদ্ধ-অশুদ্ধৰ বিচাৰ দিয়ে আৰু আমাৰ চিত্তবৃত্তি পৰিস্কাৰ কৰে। সাহিত্যই নিৰস জীৱনকো ৰসাল কৰি তোলে। সৰস্বতীৰ হাতৰ স্ফটিকৰ মালা ধাৰি একাগ্ৰতা, ধ্যান আৰু চিন্তনৰ প্ৰতীক। অকলশৰীয়া স্ফটিকতকৈ মালাৰ সৌন্দৰ্য্য অধিক। মালাধাৰিৰ দৰেই সৰস্বতীৰ উপাসক সকলেও একেদাল সুত্ৰৰ বন্ধনত থাকি কাম কৰা প্ৰয়োজন। বিদ্বানসকলৰ এনে শক্তিয়ে যিকোনো মহান কাৰ্য্য সুসাধ্য কৰি তোলে। বীণা হ'ল সঙ্গীত আৰু কলাৰ প্ৰতীক। সংগীত আৰু কলাই মানুহৰ কঠোৰ হৃদয়ৰো পৰিবৰ্তন কৰি জীৱনত ৰসৰ সঞ্চাৰ কৰে। সৰস্বতীৰ হাতৰ বীণাই ইয়াকে সূচায়। কমণ্ডলু-শুদ্ধিকৰণ শক্তিৰ প্ৰতীক। সৰস্বতী দেৱীৰ এই স্বৰূপ এটি সুন্দৰ বন্দনাৰে ব্যক্ত কৰা হয় যা কুন্দেন্দু তুষাৰ হাৰ ধবলা, যা শুভ্ৰ বস্ত্ৰাবৃতা। যা বীণা বৰদণ্ড মণ্ডিত কৰা, যা শ্বেত পদ্মাসনা। যা ব্ৰহ্মাচ্যুত শঙ্কৰা প্ৰভৃতিৰ্ভিঃ, দেবৈ সদা বন্দিতা। সামাম্ পাতু সৰস্বতী ভগৱতী, নিঃশেষ জাড্যাপহা।।

অৰ্থাত - বিদ্যাৰ দেৱী সৰস্বতী শুভ্ৰ পুষ্প, চন্দ্ৰমা, তুষাৰ আৰু স্ফটিকৰ দৰে শ্বেত বৰণৰ, যি শ্বেত বস্ত্ৰ ধাৰণ কৰে, যাৰ হাত বীণাৰে শোভিত, যি শ্বেত কমলত আসন গ্ৰহণ কৰে, যি স্বয়ং ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ দ্বাৰা পূজিত, সম্পূৰ্ণ জড়তা আৰু অজ্ঞান দূৰ কৰি যা সৰস্বতী দেৱী আমাক ৰক্ষা কৰিবা ...

ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ, যি ক্ৰমে

*(বাৰ পৃষ্ঠাত চাওক)*

# অনন্য প্ৰতিভাৰ বিষ্ণুপ্ৰসাদ ৰাভা

ৰূপালী মহন্ত

বিষ্ণু ৰাভা এজন বৰেণ্য ব্যক্তি। প্ৰেম, স্নেহ, বৈৰাগ্য, প্ৰীতি আৰু প্ৰেৰণাৰে জীৱন অতিবাহিত কৰা ৰাভাৰ জীৱন দৰ্শনো আছিল সৰল, উজ্জ্বল আলোকেৰে আলোকিত সত্য-শিৱ-সুন্দৰ আৰু সংঘাতপূৰ্ণ জীৱনৰ চেতনাৰে জনগণক সাহিত্য সংস্কৃতিৰে মহানতা দেখুৱাই সুশোভিত কৰাই জীৱনৰ ব্ৰত আছিল। এইগৰাকী সুসন্তানে জন্মলাভ কৰিছিল ১৯০৯ চনৰ জানুৱাৰী মাহৰ ৩১ তাৰিখ বৃহস্পতি বাৰে ইষ্টাৰ্ণ ফ্ৰন্টিয়াৰ ৰাইফলছৰ আবাসী এলেকা ঢাকাৰ পিলখানাত। পিতৃ গোপাল চন্দ্ৰ ৰাভা আৰু গেঠী ৰাভাৰ অষ্টম সন্তান আছিল। গোপাল ৰাভাৰ অৱসৰৰ পিছত তেওঁৰ ক্ৰীড়া ভূমি তেজপুৰ ৰত থাকিবলৈ লয়। বিবিধ গুণেৰে বিভূষিত বিষ্ণু ৰাভা সৰুৰে পৰাই অত্যন্ত উদ্যমী আৰু অতুৎসাহী আছিল। যাৰ বাবে সৰুতেই মহাজীৱনৰ সচবোৰ আকোঁৱালি লব পাৰিছিল । উচ্চ প্ৰাথমিক পৰ্যায়লৈকে তেওঁ পঢ়াত বিশেষ সুফল দেখুৱাব পৰা নাছিল যদিও অষ্টম শ্ৰেণীৰ পৰা আগবাঢ়ি ১৯২৬ চনৰ প্ৰবেশিকা পৰীক্ষাত দৰংজিলাৰ ভিতৰতে সৰ্বোচ্চ হৈ উত্তীৰ্ণ হৈছিল। উষা-চিত্ৰলেখাৰ নগৰী তেজপুৰ এৰি কলিকতা মহানগৰীলৈ গুছি গৈছিল। বিজ্ঞানৰ ছাত্ৰ হিচাপে কলিকতাৰ চেন্টপলচ কলেজৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ লৰ্ড ৰিপন কলেজৰ পৰা পদাৰ্থ বিজ্ঞানত অনাৰ্চ লৈ পঢ়োতে মেধাৰ গুণে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। অৱশ্যে বিদ্যায়তনিক খ্যাতিৰ মোহত তেওঁ মোহবদ্ধ হৈ নাথাকিল। সংগ্ৰামী আভাৰে বিষ্ণু ৰাভাই জীৱন পাৰ কৰিলেও অন্যান্য দিশটো নৈপুণ্যতা বিদ্যমান। খেলুৱৈ হিচাপে মহাবিদ্যালয়ত পঢ়ি থকা সময়ত ক্ৰিকেট, হকী খেলৰ অধিনায়ক হোৱাৰ উপৰিও নিজৰ ক্ৰীড়া প্ৰতিভাৰ পৰিচয় দিছিল। কলিকতাৰ ভবানী পুৰত Pictures corporation নামৰ সংস্থাৰ জৰিয়তে বোলছবি নিৰ্মাণ কৰিবলৈ বিচাৰিছিল যদিও হৈ নুঠিছিল। তেনেতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অমৰ সৃষ্টি 'জয়মতী' ছবিখন নিৰ্মাণৰ বাবে তেওঁ সহযোগিতা আগবঢ়ালে। যিখন বোলছবি জগতৰ প্ৰথম ছবি। জয়মতী চৰিত্ৰৰ অভিনেত্ৰী আছিল গোলাঘাট জিলাৰ মহুৰামুখৰ আইদেউ সন্দিকৈ। যি গৰাকী বোলছবিত অভিনয় কৰি জীৱন জুৰি অনাদৃত হৈছিল। জয়মতী বোলছবিৰ লগত জড়িত হোৱাৰ পিছত গ্ৰামফোন ৰেকৰ্ড ৰ দ্বাৰা অসমীয়া গীত আৰু নাটকক জনপ্ৰিয় কৰি অসমীয়া সংগীত, নাটকক যুগজয়ী কৰিবলৈ যত্নপৰ হ'ল। তেওঁ ৰেকৰ্ড কৰা নাটক কেইখন হ'ল নৰকাসুৰ, বেউলা, বিহুৱতী, বৰদৈচিলা, শঙ্কৰদেৱ, মাধৱদেৱ, ৰতনী আদি। দুৰ্যোধনৰ উৰুভঙ্গ নাটকে হাঁহিৰ থুনপাক যোগাইছিল। সেই সময়ত ৰেকৰ্ডৰ সংগী আছিল ডিব্ৰুগড়ৰ কেচাসোণ যেন সুগায়িকা কুমাৰী প্ৰিয়লতা দত্ত। দুয়ো স্বামী-স্ত্ৰী ৰূপে প্ৰতিস্থিত হোৱাৰ দেৰমাহৰ পিছতেই প্ৰিয়বালা ইহ সংসাৰৰ পৰা বিদায় মগাত ৰাভাদেৱ অস্থিৰ হৈ পৰিল। মনলৈ বৈৰাগ্যৰ ভাব অহাত শোণিতপুৰলৈ ঘুৰি আহি বিমৰ্ষ মনক ধৈৰ্য্যে ৰে দৃঢ় কৰি সংগীত, নাট, নৃত্য-বাদ্য-চৰ্চাৰে দিন পাৰ কৰিলে। তেওঁৰ সকলো গীতেই কালজয়ী। কিন্তু পৰ জনমত শুভ লগনত, লগন উকলি গ'ল, এয়ে মোৰ শেষ গান, ইত্যাদি গীত অতি মৰ্মস্পৰ্শী। তেওঁৰ ৰচিত এই গীত সমূহ ৰাভা সংগীত হিচাবে হিচাপে জনাজাত। নাট্যকাৰ হিচাবে তেওঁ বিশিষ্ট নাট্যশিল্পী ফনীশৰ্মাৰ লগত তেজপুৰৰ বাণ থিয়েটাৰকে আদি কৰি বিভিন্ন ঠাইত নাট মঞ্চস্থ কৰে। কাজী নজৰুলে তেওঁ অভিনয় কৰা চিৰাজ নাটকৰ আঘোণা চৰিত্ৰ অভিনয়ত মুগ্ধ হৈছিল। এইদৰে এৰাবাটৰ সুৰ, প্ৰতিধ্বনি, মাহুত বন্ধুৰে বোলছবিত অভিনয় কৰিছিল। পিয়লি ফুকন, মনোমতীতো দৃশ্যসজ্জা, নৃত্য পৰিচালনা কৰিছিল। নৃত্য বিদ্যাতো পাৰ্গত ৰাভা দেৱে বিভিন্ন ঠাইত কামৰূপী নৃত্য, দশাৱতাৰ নৃত্য, শিৱৰ তাণ্ডৱ নৃত্য, কালীদমন নৃত্য, ওজাপালি নৃত্য, হৰগৌৰী নৃত্য আদি তেওঁ অতি আকৰ্ষণীয়কৈ প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা লাভ কৰিছিল । তেওঁৰ নিৰলস সাধনা আৰু



কাশীৰ হিন্দু বিশ্ববিদ্যালয়ত প্ৰদৰ্শন কৰা "নটৰাজ"নৃত্যত মুগ্ধ হৈ তেওঁৰ সাংস্কৃতিক বৰঙনিলৈ সন্মান জনাই সেইসময়ৰ হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° সৰ্বপল্লী ৰাধাকৃষ্ণনে ১৯৩৯চনত "কলাগুৰু" উপাধি প্ৰদান কৰিছিল। কবিৰূপে তেওঁৰ কৃতিত্ব কম নহয়। এফালে সংগ্ৰামী সত্তা আনফালে কবিতাৰ প্ৰেম। এফালে ষ্টেনগান আনফালে কলম। তেওঁৰ কবিতাত আছিল শোষণ উৎপীড়নৰ বিৰুদ্ধে কৃষক শ্ৰমিক তথা সকলো শ্ৰেণীৰ জনগণৰ মুক্তিৰ জয়গান।

যেনে: ভাং ভাং ভাং লোহাৰ শিকলি ভাং...।
আগবাঢ়ি ব'ল ভাঙি চিঙ
জুলুম বাজীৰ জাল
নকৰিবি ভয় ব'ল হৈ
শোষণ বাদীৰ দল....।

চিত্ৰ কৰ হিচাবেও তেওঁৰ প্ৰভূত সম্ভাৱনা আছিল।"দৰশিত সুন্দৰ গৌৰ কলেৱৰ" শ্ৰীমন্ত শংকৰদেৱৰ চিত্ৰ অংকন কৰি তেতিয়াৰ বৰপেটা থানৰ বুঢ়াসত্ৰীয়াঁ চতুৰ্ভূজ মিশ্ৰদেৱে ভূয়সী প্ৰসংশা কৰিলে শিল্পী বিষ্ণু প্ৰসাদক।

১৯৩৩চনত তেওঁ অংকন কৰা আন এখন ছবি 'স্নান'। লিওনাৰ্ডোৰ ছবিৰ লগত সামঞ্জস্য থকা এই ছবিখন অনন্য। শংকৰ-মাধৱৰ যুগ্ম ছবি আৰু শংকৰদেৱৰ বাল্যকালৰ ছবি আঁকি চিত্ৰ শিল্পী হিচাবে মহত্ব ৰাখি থৈ গৈছে। সাহিত্যৰ দিশত মনোনিবেশ কৰি বিহগী কবি ৰঘুনাথ চৌধুৰীৰ সভাপতিত্বত তেজপুৰত হোৱা অসম সাহিত্য সভাৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰে। আৱাহন আলোচনীত বিভিন্ন তত্ব গধুৰ লেখাৰে সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। মিচিং কনেং


*(বাৰ পৃষ্ঠাত চাওক)*

# ENGLISH NEWS SECTION

## 12 journalists killed in one month, PEC demands justice to bereaved families

Guwahati, RB News: Expressing shock over the murder of a record number of 12 journalists in the first month of 2022, the global media safety and rights body Press Emblem Campaign demands justice and adequate compensation to the bereaved families."PEC laments that another journalist has been cowardly assassinated in Mexico. The slain journalist is Roberto Toledo, of 55 years of age, gunned down on Monday, January 31st, 2022, in the municipality of Zitacuaro, Michoacan. He worked for the Monitor Michoacan news outlet. Toledo is the 4th journalist killed in less than a month in Mexico. If the current continues, we could be having one journalist per week being killed in the county."It also condemns the murder of second Pakistani journalist within a week and urges Prime Minister Imran Khan to punish the perpetrators under the law. Mentionable is that Ghulam Murtaza Shar (32), who was associated with private Urdu news channel Ummat, faced bullets from two armed men riding a two-wheeler at Jhol town of Sindh province in western Pakistan on 30 January. Shar sustained multiple injuries in the attack and later succumbed on his way to the hospital. The local authority claimed that Shar was killed because of marriage disputes."Earlier, Lahore-based journalist Hasnain Shah (45) was killed on 24 January by two bike-riders outside the local press club in Simla Pahari point. The murder of Shah, who was a prominent crime reporter working for a local news channel, witnessed massive outrages by the journo-bodies across the south Asian nation and many of them demonstrated their anger on the streets.""The first month of 2022 has brought depressing news as twelve media workers had lost their lives to assailants. Mexico witnessed the murder of four scribes (namely Jose Luis Gamboa, Margarito Martinez, Lourdes Maldonado and Roberto Toledo), followed by Pakistan (Hasnain Shah & Murtaza Shar), Haiti (Amady John Wesley & Wilguens Louissaint), Kazakhstan (Muratkhan Bazarbayev), Myanmar (Pu Tui Dim), Honduras (Pablo Isabel Hernandez Rivera) and Phillppines (Jaynard Angeles)," said Blaise Lempen, PEC secretary-general."In 2021, 79 journalists were killed in 29 countries. Afghanistan emerged as the most dangerous country with 12 casualties, followed by Mexico (10 dead), Pakistan (7), India (6), the Philippines (4), etc revealed PEC's south Asia representative Nava Thakuria, adding that Pakistan lost media enthusiasts namely Ajay Laalwani, Waseem Alam, Abdul Wahid Raisani, Kashif Hussain, Shahid Zehri, Nazim Samwal Jokhio and Muhammad Zada to assailants last year.

## Assam Governor launches a book 'The Hindutva Paradigm- Integral Humanism and the Quest for a Non-Western World View




Guwahati, RB News: Assam Governor Prof. Jagdish Mukhi said that Hindutva is a word that connotes not only India's cultural diversity but also a civilization which is more than six thousand years old and covers a sweep of history which is unparalleled in the world.""Launching a book named 'The Hindutva Paradigm- Integral Humanism and the Quest for a Non-Western World View' here today, Governor Prof. Mukhi while appreciating Ram Madhav, said that the book written by him essentially touches a variety of issues that concern people. He also said that the contents of the book would benefit the nation and the world.""The Governor also said that 'The Hindutva Paradigm', is an earnest attempt on the part of the writer to introduce a century-old Hindutva philosophy to the wider audience both nationally and internationally. Through his projections of a "non-western worldview" of the idea, concept and philosophy of the Hindutva, Ram Madhav has invariably succeeded to draw the attention of the intellectual community across the world to integral humanism, integral economic vision, nationalism and cultural integration which are the tenets of Indian philosophy. He also said that the philosophy of India teaches everybody to be affectionate, cooperative and completely dedicated to the cause of the nation and its people which according to him is the greatness of Hinduism.""The Governor also said that the book is a repository of rich and new information. He also said that the book penned down by Ram Madhav would be a beacon of light for the youngsters to know the rich legacy of India. The book would also be a guiding light for the younger generation to know the essence of India and contribute towards building a new and vibrant nation based on the strong edifice of the resourceful past of the country.""Governor Prof. Mukhi also exuded hope that philosophy propagated by every chapter of the book is very encouraging and inspirational which can well be the answer and way out to make India a Viswa Guru. The author of the book Ram Madhav, Sah-Sarkaryavah of RSS Arun Kumar and a host of other dignitaries were present at the book launching function.

## Bhutan Consul General calls on Assam Governor Talks on issues of mutual interests for strengthening bilateral relations



Guwahati, RB News: Consul General of Bhutan in Guwahati Jigme Thinley Namgyal met Assam Governor Prof. Jagdish Mukhi in Raj Bhavan today and discussed with him on a gamut of aspects ranging from trade, tourism, economy, and other issues of mutual interests.

Stating the long and deep rooted bond between Assam and Bhutan, the Consul General expressed his eagerness to strengthen Bhutan's ties with Assam in tourism. The Governor and the Envoy during their conversation reiterated their keenness for strengthening bilateral relations and student exchange programme between Royal University of Bhutan and universities in Assam. Further the Consul General said that Bhutan is also keen to increase its trade with India in fresh fruits. The Consul General was accompanied by Vice Consul Phurpa Tshering and Attche-Finance UgyenTshewang.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

২৩ মাঘ, ১৪২৭ চন Rongili Barta, Date of Publication-- 6 February, 2022

# অনন্য প্ৰতিভাৰ বিষ্ণু

উপন্যাস।

সোনপাহী, মামীৰ হাৰ, হিয়াৰ পুং, কুৰি বছৰ জেইল, জাল কেছ, ফুংফা (বড়ো ভাষাত ৰচিত) আদি গল্প। অসমীয়া কৃষ্টিৰ চমু আভাস, ন পৃথিৱীৰ নতুন যুগ, জনজাতীয় সংস্কৃতিত শিৱ, বড়ো জাতিৰ ইতিহাস, বানে কেবাং, অতীত অসম, মুক্তিৰ দেউল, আদি বিভিন্ন প্ৰৱন্ধ আৰু গেঙনি ৰেঙণি নাটক উল্লেখযোগ্য। তেওঁ সাধাৰণ মানুহৰ সামাজিক সাংস্কৃতিক জীৱন সম্বন্ধে প্ৰত্যক্ষ ভাৱে জড়তি হৈ সেই অভিজ্ঞতা সমূহ কেতিয়াবা লেখনিৰে কেতিয়াবা বক্তৃতাৰে প্ৰকাশ কৰি গৈছিল। তেওঁ সাহিত্য সংস্কৃতি শিল্পকলা আদিত নিজৰ নৈপুণ্যতা কিমান দেখুৱালে তাৰ সীমা নাই।লগতে অসমীয়া, ইংৰাজী, বঙালী, হিন্দী, ৰাভা, বড়ো, নেপালী আদি ভাষা অতি সলসলীয়াকৈ কব পৰা বুৎপত্তি আছিল। এই সকলো খিনিৰ মাজেদিয়েই ৰাজনৈতিক বিপ্লৱৰ অশান্ত মঞ্চখনিত ক্ষীপ্ৰতাৰে জড়িত হৈ পৰিছিল। সাংসাৰিক জীৱন খলাবমাৰে সংপৃক্ত হৈ নানান কষ্টৰে বিচিত্ৰময় জীৱন পাৰ কৰিছিল। তেওঁ মৰম প্ৰীতি দয়াৰে প্ৰেম ৰমনীয় কৰি ৰাখিছিল। তদুপৰি সাংসাৰিক ক্ষেত্ৰত তেওঁ কোনোদিনেই ধন-সম্পদ টকা পইচাৰ প্ৰতি কিঞ্চিতো হাবিয়াস নাছিল। দ্বিতীয় পত্নী কলাৱতী সদৃশ কনকলতাৰ লগত পৰম প্ৰেম আৰু সন্তুষ্টিৰেই সাংসাৰিক জীৱন অতিবাহিত কৰিছিল। তিনি গৰাকী পত্নীৰ দুগৰাকীক হেৰুৱাই মন ভাৰাক্ৰান্ত হৈ পৰিছিল।

মুঠতে এইগৰাকী মহান মণীষীৰ বিষয়ে চমু লেখাত কিঞ্চিতহে উল্লেখ কৰিব পাৰিছো।তেওঁৰ বিষয়ে লিখি শেষ কৰিব নোৱাৰি। বহুমুখী প্ৰতিভাৰ চিৰ উজ্জল স্বাক্ষৰ বহন কৰি বিশ্বৰ বুকুত তেওঁ কলাগুৰু, চিৰসংগ্ৰামী, চিৰসুন্দৰ, চিৰ নতুন হৈ থাকিব।আজি ৩১জানুৱাৰী ৰাভাৰ জন্ম দিন। তেওঁৰ জন্ম দিনটো অসম বাসীয়ে “কলাগুৰু দিৱস” হিচাবে পালন কৰিলে বহুত ভাল হয়। তেওঁৰ সৃষ্টি-কৰ্ম আৰুএই চমু লেখাটিৰে তেওঁৰ জন্ম দিৱসত শ্ৰদ্ধাৰে সোঁৱৰি সশ্ৰদ্ধ প্ৰণাম জনাইছো ।অসমীয়াৰ প্ৰাণৰ আপোন ৰাভাদেৱ বহুমুখী প্ৰতিভাৰে চিৰউজ্জল স্বাক্ষৰ বহন কৰি বিশ্বৰ বুকুত তেওঁ কলাগুৰু, চিৰসংগ্ৰামী, চিৰসুন্দৰ, চিৰনতুন হৈ থাকিব।

# বিদ্যাৰ আৰাধ্যা দেৱী

স্ৰজন, পালন আৰু সংহাৰৰ প্ৰতীক সেই ত্ৰিদেৱেও সৰস্বতী দেৱীক আৰাধনা কৰে। কাৰণ বিনা ভাবেৰে জন, বিনা জ্ঞানেৰে পালন আৰু বুদ্ধিহীন সংহাৰে, অনৰ্থ ঘটাব পাৰে এই সকলো কাৰ্য্যৰ বাবে ভাব জ্ঞান আৰু বুদ্ধিৰ প্ৰয়োজন। সেয়েহে যিকোনো মহান কাৰ্য্যৰ আৰম্ভণিতে আমি সকলোৱে সৰস্বতীক বন্দনা কৰা উচিত।

সৰস্বতী নিত্য যৌৱনা জীৱনদায়িনী মাতৃৰ সমান । সৰস্বতীয়ে আমাৰ জীৱনৰ জড়তা দূৰ কৰে। সৰস্বতীৰ কৃপা দৃষ্টিয়ে জড়মতিকো জ্ঞানী আৰু বিদ্বান কৰি তুলিব পাৰে। ফুলৰ সুগন্ধ যিদৰে সহজে বিয়পি পৰি আনন্দ প্ৰদান কৰে, ঠিক তেনেদৰে জ্ঞানৰ সুগন্ধও দূৰ দূৰলৈ বিস্তৃত হৈ শান্তি প্ৰদান কৰে ...গছৰ পাতত পৰি থকা নিয়ৰ বিন্দুৱে যিদৰে মুকুতাৰ ৰূপ ধাৰণ কৰি গছৰ সৌন্দৰ্য্য বঢ়াই, ঠিক তেনেদৰে সৰস্বতীৰ প্ৰকৃত উপাসকৰ অস্তিত্বই সংসাৰ ৰূপী গছৰ শোভা বৰ্দ্ধন কৰে...

অৰ্থৰ ধনী জনে পথভ্ৰষ্ট হৈ ভোগতহে আনন্দ বিচাৰি ফুৰে, কিন্তু বিদ্বান ব্যক্তিয়ে প্ৰজ্ঞা, সাহিত্য সৃষ্টি আৰু সঙ্গীত কলাৰ আস্বাদনেৰে সহজে নিসৰ্গ দৰ্শন প্ৰাপ্ত কৰে। সৰস্বতীৰ প্ৰকৃত উপাসকে নিষ্ঠা সহকাৰে নিৰন্তৰজ্ঞান আহৰণৰ সাধনাতহে ব্ৰতী হৈ থাকে। সৰস্বতীৰ মন্দিৰত কলা থাকিব লাগে-কলাৰ নামত বিলাসিতা নহয় ,বিদ্যা থাকিব লাগে কিন্তু বিদ্যাৰ নামত বেচা-কিনা নহয়, প্ৰেম থাকিব লাগে কিন্তু মোহ নহয়, দিব্যতা থাকিব লাগে কিন্তু উন্মত্ততা নহয়, নম্ৰতা থাকিব লাগে কিন্তু বিৱশতা নহয় ... সৰস্বতীৰ মন্দিৰত প্ৰাণৰ প্ৰস্ফুৰণ হব লাগে কিন্তু নিৰাশাৰ নিশ্বাস নহয় ...

আমাৰ অসমতো অতি উলহ মালহ আৰু আড়ম্বৰপূৰ্ণ ভাৱে সৰস্বতী পূজা পতা হয়। কিন্তু জাকজমকতা আৰু আড়ম্বৰতাই যাতে পূজাৰ আৰৰ আধ্যাত্মিকতা ম্লান কৰিব নোৱাৰে তাৰো লক্ষ্য আমি ৰখা উচিত। সাজ পোচাকৰ ক্ষেত্ৰতো ছাত্ৰছাত্ৰী সকলে নিজৰ শালীনতা বজাই ৰখা উচিত। সৰস্বতী পূজাৰ দিনা আজিকালি ঠায়ে ঠায়ে সৌন্দৰ্য প্ৰতিযোগিতাও পতা দেখা যায়। যদিও সৰস্বতী পূজাৰ আধ্যাত্মিকতাৰ সৈতে দৈহিক সৌন্দৰ্যৰ কোনো সম্পৰ্ক নাই। সময়ৰ লগে লগে সকলো ক্ষেত্ৰতে কিছু পৰিবৰ্তন হোৱাতো স্বাভাবিক কথা, কিন্তু আমি আমাৰ সভ্যতা আৰু সংস্কৃতি কেতিয়াও পাহৰি যোৱা উচিত নহয়।

## Beauty of the Week



Sushmita Baruah,Duliajan



Sunit Das

## Photography of the Week



Partha Bora

Beauty of the Week Art of the Week আৰু · Photography of the Week লৈ আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286